www.newsnextone.com
# e সংবাদ

**ধনখড়ক লৈ অসন্তুষ্ট বিৰোধী দল**

নতুন দিল্লী, ৯ ডিচেম্বৰঃ সংসদৰ শীতকালীন অধিৰেশনত অব্যাহত আছে। উত্তেজনা ৬ পৃষ্ঠাত চাওক

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, DECEMBER 10, 2024 ■ মঙলবাৰ, ২৪ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৭ Guwahati, Assam ।। মূল্যঃ এটকা

**কান্দোনত ভাগি পৰিল মধ্যাহ্ন ভোজনৰ ৰান্ধনি-সহায়িকা ■ নাপালে সঁহাৰি**

# তামোল-পাণ লৈ ৰান্ধনিৰ প্ৰতিবাদ

**■ দিনৰ দিনটো কাম কৰিও লাভ কৰে অৰুণোদয়তকৈয়ো কম ধন ■ সমস্যা দূৰ কৰিবলৈ মুখ্যমন্ত্ৰীক জনালে আহ্বান**

ই-সংবাদ, ৯ ডিচেম্বৰঃ কিমান অসহায় অৱস্থাত তেওঁলোকে দিন পাৰ কৰিছে সেই কথা তেওঁলোকৰ মুখকেইখন দেখা নাপালে বিশ্বাস কৰিব শেষাংশ ২ পৃষ্ঠাত



## খানাপাৰাৰ মেট্ৰ' হাস্পতালত ভয়ংকৰ কাণ্ড




বিতং বাতৰি ৩ পৃষ্ঠাত

## ব্লেকলিষ্টেড সংস্থাৰ হাতলৈ ১০৮ সেৱা!

**শংকিত কৰ্মচাৰী**

ই-সংবাদ, ৯ ডিচেম্বৰঃ এন এইচ এমৰ বৰ্তমান চলি থকা মৃত্যুঞ্জয় ১০৮ৰ শেহতীয়া নিবিদাত শেষাংশ ৩ পৃষ্ঠাত

## উকা হ'ল কাব্য জগত

**ঘৃণাসুঁতি এৰি গ'ল যোগেন টাইডে**



ই-সংবাদ, ৯ ডিচেম্বৰঃ বিশিষ্ট কবি, 'সৰিয়হ ফুলৰ' কবিৰূপে খ্যাতি অৰ্জন কৰা যোগেন টাইড আৰু নাই। কবিতাৰ সেই সুন্দৰ শেষাংশ ২ পৃষ্ঠাত

## ছোনিয়া গান্ধীৰ জন্মদিন উদযাপন

গুৱাহাটী, ৯ ডিচেম্বৰঃ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনি, খাদ্য শেষাংশ ৫ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীক 'কৰ্মযোগী' সন্মান

ই-সংবাদ, সৰুপথাৰ, ৯ ডিচেম্বৰঃ দিনযোৰা কাৰ্যসূচীৰে সৰুপথাৰত সোমবাৰে উপস্থিত হয় মুখ্যমন্ত্ৰী শেষাংশ ৪ পৃষ্ঠাত

## শতাধিক ট্ৰেইলাৰ লগাই নিশাৰ ভাগত উত্তৰ প্ৰদেশলৈ নিলে অ'এনজিচিৰ ৰীগ!



ই-সংবাদ, শিৱসাগৰ, ৯ ডিচেম্বৰঃ অ'এনজিচিৰ অসম সম্পদত নিয়োজিত হৈ থকা অনা-অসমীয়া অসম বিৰোধী চক্ৰটোৰে ইটোৰ পিছত সিটো শেষাংশ ৪ পৃষ্ঠাত

## বশিষ্ঠৰ বিলাসী হোটেলত বাংলাদেশৰ প্ৰশিক্ষকৰ মৃত্যু

**আৰক্ষীৰ তদন্ত আৰম্ভ**

ই-সংবাদ, ৯ ডিচেম্বৰঃ বাংলাদেশৰ অস্থিৰ পৰিস্থিতিৰ মাজতে ৰাজ্যৰ ৰাজধানী গুৱাহাটীত বাংলাদেশৰ এগৰাকী ক্ৰীড়াবিদৰ মৃত্যু হয়। বশিষ্ঠৰ এখন বিলাসী শেষাংশ ৩ পৃষ্ঠাত

**গালি খোৱা বিভাগ পাই শক্তিহীন হ'ব প্ৰশান্ত!**

## মন্ত্ৰীসভা সম্প্ৰসাৰণৰ পিছতেই দপ্তৰবো ৰদ-বদল



ই-সংবাদ, ৯ ডিচেম্বৰঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পূৰ্বে ঘোষণা কৰা তাৰিখ অনুসৰি আজি নকৈ শপত লোৱা শেষাংশ ৪ পৃষ্ঠাত

## বনভোজৰ সময়তেই নাটনি গাহৰি মাংসৰ!

ই-সংবাদ, নাজিৰা, ৯ ডিচেম্বৰঃ নৱবৰ্ষলৈ মাজত মাথোঁ কেইটামান দিন। নতুন বছৰক আদৰিবলৈ শেষাংশ ৩ পৃষ্ঠাত




সৰুপথাৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব

## সংখ্যালঘুৰ নিৰাপত্তাক লৈ ভাৰত অতিশয় উদ্বিগ্ন

**ঢাকাক ক'লে বিদেশ সচিব মিশ্ৰিয়ে**

ঢাকা, ৯ ডিচেম্বৰঃ বাংলাদেশৰ প্ৰাক্তন সেনাপ্ৰধানৰ কলকাতা দখলৰ ভাবুকি, হিন্দু ধৰ্মগুৰু চিন্ময়কৃষ্ণ দাসৰ গ্ৰেপ্তাৰকে ধৰি বিভিন্ন বিষয়ক লৈ অব্যাহত শেষাংশ ৫ পৃষ্ঠাত





## ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ নিযুক্ত সঞ্জয় মালহোত্ৰা

নতুন দিল্লী, ৯ ডিচেম্বৰঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰৱৰ্তী গৱৰ্ণৰ হ'ব সঞ্জয় মালহোত্ৰা। সোমবাৰে শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তামোল-পাণ লৈ ৰান্ধনিৰ প্ৰতিবাদ

নোৱাৰি। সন্মান লাঘৱ হ'লেও হওক, কিন্তু পৰিয়ালটোৰ বাবে চৰকাৰৰ পৰা প্ৰাপ্য বিচাৰি হাতত তামোল-পাণ লৈ ফেঁকুৰি ফেঁকুৰি ৰাজপথলৈ ওলাই আহিছে তেওঁলোক। শুকান মুখকেইখনে বাৰে বাৰে এটা কথাকে কৈছে যে চৰকাৰ আমি কাবৌ কৰিছোঁ, হাতত তামোল-পাণ লৈ সেৱা যাচিছোঁ মাথো আমাক জীয়াই থাকিব পৰাকৈ পাৰিশ্ৰমিক দিয়ক। চৰকাৰৰ মছনদত বহি থকা মহাৰাজসকলে তেওঁলোকৰ চকুৰে বৈ অহা চকুলো দেখা নাপাব। কিয়নো চৰকাৰে আজি বহু সমস্যাই দেখা পোৱা নাই। মূল্যবৃদ্ধি, কৰ-কাটলৰ ভৰত জনতা ককবকাই থকা নেদেখা চৰকাৰে এইসকল মহিলাৰ কথা কেতিয়াও হয়তো অনুভৱ কৰিবলৈ সামৰ্থ্য নহ'ব। আত্মশ্লাঘা আৰু মইৰৰ ভাৰত নিমত্ত চৰকাৰে মহিলাৰ চকুলোৰ মূল্য যে দিব নোৱাৰে সেয়া ধ্ৰুৰূপ। আজি আমি যাৰ কথা কৈছোঁ তেওঁলোক হৈছে ৰাজ্যৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৰান্ধনি আৰু সহায়িকা। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৰান্ধনি আৰু সহায়িকাই ১৫০০ টকাৰ বিনিময়ত চাকৰি কৰি আছে। কোলাৰ সন্তান, বৃদ্ধ শাহু-শহুৰক ঘৰত এৰি বছৰেকত কেইবাবাৰো প্ৰতিবাদ কৰাৰ পিছতো চৰকাৰৰ অন্তৰ নগলিল। কিন্তু ৰান্ধনি আৰু সহায়িকাই চৰকাৰক বাৰে বাৰে মনত পেলাই দিছে যে আমিও মানুহ, আমাকো জীয়াই থাকিবলৈ দিয়ক। নাচোৰবান্দা চৰকাৰক জগাবলৈ পুনৰ আজি গুৱাহাটীলৈ আহিল ৰান্ধনি আৰু সহায়িকা। সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক মধ্যাহ্ন ভোজ ৰান্ধনি আৰু সহায়িকা সন্থাই আজি মজুৰি বৃদ্ধিৰ দাবীত গুৱাহাটীত 'দিছপুৰ চলো' কাৰ্যসূচী ৰূপায়ণ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ৰান্ধনি-সহায়িকাই হাৰ কঁপোৱা জাৰ নেওচি পুৱাই ৰে'ল, বাছযোগে গুৱাহাটীত উপস্থিত হৈ চৰকাৰৰ বিৰুদ্ধে উগ্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। শিৰত ৰান্ধনিয়ে পিন্ধা টুপি আৰু হাতত তামোলা-পাণ লৈ ৰাজ্যৰ বিদ্যালয়সমূহৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনি আৰু সহায়িকাসকল গুৱাহাটীলৈ আহে। মাত্ৰ ১৫০০ টকাত বিদ্যালয়ত সেৱা কৰি অহা ৰান্ধনিসকলে খানাপাৰাত একত্ৰিত হয়। চৰকাৰৰ অন্যায়, বৈষম্যৰ বিৰুদ্ধে কেইবাহাজাৰ ৰান্ধনি আৰু সহায়িকাই পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ পৰা আহি খানাপাৰাত একত্ৰিত হোৱাত উত্তেজনাই বিৰাজ কৰে। ৰান্ধনি আৰু সহায়িকাসকলে সমবেত হোৱাৰ পিছতে গুৱাহাটী আৰক্ষীয়ে আৰক্ষীৰ দল মোতায়েন কৰে। আৰক্ষীয়ে বাধা দিয়াৰ পিছতো ৰান্ধনিসকলে সমবেত হৈ ৰাজ্য চৰকাৰৰ বিৰুদ্ধে শ্ল'গান দি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। আমাৰ পৰিয়াল আছে, ১৫০০ টকাৰে কেনেকৈ চলিম বুলি কৈ বহু মহিলাই চকুলো টুকে। একাংশ ৰান্ধনি-সহায়িকাই কয় যে আমি বছৰৰ পিছত বছৰি ধৰি প্ৰতিবাদ কৰি আছোঁ। আমি মাহিলি মাত্ৰ ১৫০০ টকা লাভ কৰোঁ। আমাৰ ভোক আছে, আমাৰ একো একোটা পৰিয়াল আছে। মামক আমি লগ কৰি এই কথাখিনি ক'বলৈ আহিছোঁ। মামা ক'ত আছে, আমাৰ ওচৰলৈ আহক আৰু আমাক কথা শুনক। মামা বুলি সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তেওঁলোকৰ কথা শুনিবলৈ আহ্বান জনায়। আজিৰে পৰা অনিৰ্দিষ্টকালীন প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক মধ্যাহ্ন ভোজ ৰান্ধনি আৰু সহায়িকা সন্থাই। অনিৰ্দিষ্টকালীন প্ৰতিবাদী কাৰ্যসূচী ঘোষণা প্ৰথম দিনটোত ৰাজ্যৰ ৰাজধানী গুৱাহাটীত ৰান্ধনি-সহায়িকাই হাতত তামোল-পাণ লৈ খানাপাৰত উপস্থিত হয়। দিছপুৰ চলো কাৰ্যসূচী গ্ৰহণ কৰি মজুৰী বৃদ্ধিৰ দাবী জনায়। মহানগৰীৰ খানাপাৰা, কইনাধাৰা এলেকাত আৱদ্ধ কৰা ৰান্ধনি-সহায়িকাই চকুলো টুকি পাণ-তামোল আগবঢ়াই মুখ্যমন্ত্ৰীক কাতৰ আহ্বান জনাই কয় যে আমাৰ পৰিয়ালৰ কথা ভাবক। ৰান্ধনিসকলে কয় যে অৰুণোদয় আঁচনি যোগে ১২৫০ টকা দিয়া হয়। কিন্তু আমি পুৱাৰে পৰা ৫ বজালৈ কাম কৰি পাওঁ মাত্ৰ ১৫০০ টকা। এগৰাকী ৰান্ধিয়ে কয় যে আজি মাম আমাৰ ওচৰলৈ আহিব লাগিব। মামৰ লগত আজি আমি বহুত কথা পাতিম। আমি তামোল-পাণ লৈ হাতযোৰ কৰিছোঁ, মাথোঁ ২ মিনিটমানৰ বাবে মামা আমাৰ ওচৰলৈ আহক। ক্ষোভিত ৰান্ধনিয়ে কয় যে মামাই আমাৰ প্ৰশ্ন উত্তৰ দিব লাগিব। ১৪ খন ৰাজ্যত ৰান্ধনিয়ে ১২,৫০০ টকা পাৰিশ্ৰমিক পায়। কিন্তু অসমৰ মামাই মাতৃসকলৰ দুখ বুজি পোৱা নাই। মামাই আহি আমাক লগ কৰি কথা পাতিলেহে আমি গুৱাহাটীৰ পৰা ঘৰলৈ যাম বুলি হুংকাৰ দিয়ে। এগৰাকী ৰান্ধনিয়ে কয় যে চৰকাৰৰ আলোচনাক আমি বিশ্বাস নকৰোঁ। কিয়নো মিছন সঞ্চালককে ধৰি বহু বিষয়া, মন্ত্ৰীয়ে আমাৰ সৈতে কথা পাতিছে, কিন্তু একো কমাত নাহিল। সেইকাৰণে আমি শেষত হাতত তামোল-পাণ লৈ মামাক লগ কৰিবলৈ আহিছোঁ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘূণাসুঁতি এৰি গ'ল যোগেন টাইডে

পৃথিৱীখনলৈ মানুহক আকৰ্ষিত কৰিবলৈ সক্ষম হোৱা যোগেন টাইদে পৃথিৱীৰ মায়া এৰি চিৰদিনৰ বাবে অচিনা দেশলৈ মেলানি মাগে সোমবাৰে। লখিমপুৰৰ ঐতিহাসিক ঘূণাসুঁতিৰ বিশিষ্ট কবি যোগেন টাইদৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত কবিগৰাকীৰ বয়স আছিল ৫৬ বছৰ। এবছৰ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসা গ্ৰহণ কৰি আছিল তেওঁ। চিকিৎসা গ্ৰহণ কৰি থকা অৱস্থাতে লখিমপুৰৰ এখন হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৬৮ চনত ঘূণাসুঁতিত জন্ম গ্ৰহণ কৰা যোগেন টাইদৰ 'সৰিয়হ ৰখীয়া এজনি গাভৰু' আৰু 'বৰষুণত গাভৰু জাক আৰু আজি ৰাতি থাকি যোৱা হ'লে' কবিতা পুথি দুখনে ব্যাপক সঁহাৰি লাভ কৰিছিল। বি বৰুৱা কলেজৰ পৰা স্নাতক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ ঘূণাসুঁতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। প্ৰিয় ঘূণাসুঁতিখন এৰিব নোৱাৰাৰ বাবে অইন চাকৰি নকৰিলে। ঘূণাসুঁতিতে সাধাৰণ লোকৰ সৈতে নিজকে জীপাল কৰি ৰাখিছিল। হাৰাই চেণ্ডেল, পুৰিণ কলীয়া ডিজাইনৰ হাতদীঘল চাৰ্ট, লংপেণ্ট পিণ্ট পিন্ধি আড্ডা দিয়া, স্কুললৈ যোৱা, কবিতাৰ আড্ডালৈ যোৱা মানুহজনে মানুহক আপোন কৰি ল'ব পৰাৰ ভৰপুৰ গুণ আছিল। পথৰ দাঁতিৰ পাণ দোকান, চাহ দোকানবোৰ আছিল তেওঁৰ আড্ডাস্থলী। পাণ দোকান, চাহ দোকানৰ মালিকৰ সৈতে সুখৰ বাৰ্তালাপ কৰিছিল। বহু কবিতা সৃজি আৰু কবিতা পুথি প্ৰকাশ কৰি অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছিল টাইদে। আজি ১২ বজাত মৃত্যু হোৱা কবিগৰাকীৰ নশ্বৰ দেহ আবেলি চিকিৎসালয়ৰ পৰা ঘূণাসুঁতিৰ ঘৰলৈ অনা হয়। মৃতদেহ ঘৰলৈ অনাৰ পিছতে তেওঁ শিক্ষকতা কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, স্থানীয় লোক, দল-সংগঠনৰ প্ৰতিনিধিৰে ঘৰ ভৰি পৰে। বিভিন্ন দল-সংগঠন, ছাত্ৰ-ছাত্ৰীসকলে নশ্বৰদেহ লৈ অন্তিম যাত্ৰা কৰে। এটা সমদল উলিয়াই শেষ শ্ৰদ্ধাঞ্জলি যাচে ৰাইজে। কেবাগৰাকী বিশিষ্ট লোকে শেষকৃত্যত অংশ লৈ মৃত্যুৰ খবৰে মৰ্মাহত হোৱা বুলি উল্লেখ কৰি অসমে এজন মাটিৰ মানুহৰ কবিতা লিখা কবিক হেৰুৱালে বুলি কয়। তেওঁৰ কবিতাসমূহ সাধাৰণ মানুহৰ জীৱনক লৈ সৃষ্টি হৈছিল। অসম সাহিত্য সভা, বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত টাইদ পেচাত শিক্ষক আছিল। এইগৰাকী কবিৰ মৃত্যুৰ খবৰ ৰাষ্ট্ৰ হোৱাৰ পিছতে সমগ্ৰ অসমত শোকৰ ছাঁ পৰে। কবিগৰাকীৰ সমগ্ৰ অসমত থকা কবিতাৰ অনুৰাগীসকলে এই খবৰ লাভ কৰি শোকাহত হৈ পৰিছে। সামাজিক মাধ্যমযোগে অনুৰাগীয়ে শোক প্ৰকাশ কৰিছে। ইহসংসাৰত পত্নী, দুই পুত্ৰক এৰি থৈ যায় প্ৰচাৰবিমুখ আৰু মাটিৰ মানুহৰ কবি যোগেন টাইদে। বিশিষ্ট সাংবাদিক ললিত গগৈয়ে কবিগৰাকীৰ মৃত্যুত তেওঁক স্মৰণ কৰি কয় যে ৮০ৰ দশকত উত্তৰ লখিমপুৰ পুথিভঁৰালৰ লগত সম্পৰ্ক থকাসকলৰ মনত পৰিব যে তাৰ অধ্যয়ন কক্ষত এখন প্ৰাচীৰ প্ৰত্ৰিকা প্ৰকাশ হৈছিল। নাম পিপলি। প্ৰয়াত কবি ৰমেন শইকীয়া উপদেষ্টা হিচাপে থকা মাহেকীয়া প্ৰাচীৰ পত্ৰিকাখন এই অধমেই সম্পাদনা কৰাই নহয়, ৰং-বিৰঙী স্কেচ কলমেৰে তাত লিখা-মেলাৰ পৰা নিৰ্দিষ্ট দিনত আনি পুৰণিখন সোলকাই নতুনখন ওলোমাই দিয়া কামফেৰাও নিজেই কৰিছিলো। খা-খৰছো নিজৰে আছিল। কিবা এক চখতে সেই কাম কৰা হৈছিল। তাত প্ৰায়েই নিয়মীয়াকৈ কবিতা লিখিছিল যোগেন টাইদ, সৌৰভ শইকীয়া, মায়াশ্ৰী গোস্বামীকে ধৰি অনেকে। তেতিয়া তেওঁলোক কলেজীয়া ছাত্ৰ আৰু কবি হিচাপে প্ৰথম আৰ্বিভাৱ। সেইসময়ত আমাৰ চিনা পৰিচয় নোহোৱা যোগেনৰ কবিতা নাথাকিলে প্ৰাচীৰ পত্ৰিকাখন উকা উকা লাগিছিল। চিঠিৰ বাকচতে তেওঁ কবিতা ভৰাই থৈ গৈছিল। পৰৱৰ্তী সময়ত আমি লখিমপুৰ এৰি আহিলো আৰু সেই অধ্যায়ৰো যতি পৰিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বশিষ্ঠৰ বিলাসী হোটেলত বাংলাদেশৰ

হোটেলত বাংলাদেশৰ ক্ৰীড়া প্ৰশিক্ষক নাজিব ইছমাইল ৰাছেলৰ ৰহস্যজনক মৃত্যু হয়। নাজিব ইছমাইল ৰাছেল বাংলাদেশৰ বেডমিণ্টন প্ৰশিক্ষক আছিল। ইতিমধ্যে হোটেল ৰত্ন মুৰুলী পেলেচৰ পৰা বশিষ্ঠ আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। বাংলাদেশ বেডমিণ্টন ফেডাৰেচনৰ কাৰ্যবাহী সদস্য নাজিবৰ মৃতদেহ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা বাংলাদেশৰ দূতাবাসে গ্ৰহণ কৰি দেশলৈ নিয়া বুলি জানিব পৰা গৈছে। সৰুসজাইৰ নবীন চন্দ্ৰ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত অন্তঃজাৰ্তিক বেডমিণ্টন প্ৰতিযোগিতাৰ বাবে প্ৰশিক্ষজন ভাৰতলৈ আহি গুৱাহাটীৰ হোটেলত আছিল। প্ৰতিযোগিতাত আম্পায়াৰ হিচাপে নিযুক্ত আছিল বাংলাদেশৰ নাগৰিক নাজিব ইছমাইল ৰাছেল। মহানগৰ আৰক্ষীয়ে ঘটনাক লৈ তদন্ত কৰি থকা বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ব্লেকলিষ্টেড সংস্থাৰ হাতলৈ ১০৮ সেৱা!

ভাৰতৰ সকলো প্ৰান্তৰ পৰা ৬টাকৈ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰাক লৈ যথেষ্ট উৎকণ্ঠাৰ সৃষ্টি কৰিছে। প্ৰকল্পটোৰ সৈতে কাম কৰা ৩ হাজাৰৰো অধিক স্বাস্থ্যসেৱা কৰ্মীয়ে চাকৰি সুৰক্ষিত হ'ব নে নাই, তাক লৈ অনিশ্চয়তাত ভুগিছে। মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱা ২০০৮ চনৰ নৱেম্বৰ মাহত ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব (পিপিপি) পদক্ষেপ হিচাপে আৰম্ভ কৰা হৈছিল আৰু বৰ্তমান ১৬ বছৰ সম্পূৰ্ণ হৈছে। পথ দুৰ্ঘটনা, গৰ্ভাৱস্থা, হৃদযন্ত্ৰৰ জৰুৰী অৱস্থা, জ্বৰ, সংক্ৰমণ, জ্বলা-পোৰা আদি জৰুৰীকালীন অৱস্থাত ৬৬ লাখৰো অধিক হিতাধিকাৰীক সেৱা আগবঢ়োৱা হৈছে। বৰ্তমান ৭৭৯ প্ৰাথমিক জীৱন সমৰ্থক এম্বুলেন্স, ১৪ উন্নত জীৱন সমৰ্থক এম্বুলেন্স আৰু ৭খন নাও এম্বুলেন্স আছে। এন এইচ এম-এ ২০২৪ চনৰ আগষ্ট মাহত প্ৰস্তাৱৰ বাবে অনুৰোধ বিচাৰি এন আই টি জাৰি কৰিছিল আৰু ২০২৪ চনৰ ১৪ নৱেম্বৰত নিবিদা লাভ কৰিছিল। কাৰিকৰী নিবিদা মুকলি হোৱাৰ দিনটোতে দেখা গ'ল যে ৬ নিবিদাকাৰীয়ে নিবিদাত অংশগ্ৰহণ কৰিছিল আৰু ইয়াৰে অধিকাংশই বিগত সময়ছোৱাত একাধিক বিতৰ্কত সোমাই আহিছে। এই স্বাস্থ্যকৰ্মীসকল এন এইচ এমৰ স্থায়ী কৰ্মচাৰী নহয় বা এন এইচ এমৰ প্ৰত্যক্ষ পে-ৰোলতো নাই। যিহেতু তেওঁলোক সেৱা অপাৰেটৰৰ পে-ৰোলত আছে, সেয়েহে তেওঁলোকক নতুন সেৱা প্ৰদানকাৰীয়ে গ্ৰহণ কৰিব নে নাই তাক লৈ উদ্বিগ্নতা বাঢ়িছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তত্ত্বাৱধানত নিবিদা আৰ এফ পিত এই স্থানীয় স্বাস্থ্যকৰ্মীসকলৰ কল্যাণ নিশ্চিত কৰিবলৈ নতুন সেৱা প্ৰদানকাৰী বাছনি হ'লে তেওঁলোকৰ চাকৰি সুৰক্ষিত কৰাৰ দফা আছে। চিন্তনীয় কথাটো হ'ল নিবিদাত ছত্তীশগড়ৰ ৰায়পুৰৰ পৰা মেছাৰ্ছ জে এম্বে ইমাৰ্জেঞ্চি ৰেছপন্স ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেড নামৰ সন্দেহজনক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে মধ্যপ্ৰদেশৰ জবালপুৰৰ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত ২০২২ চনত ৭১৫ কোটি টকাৰ এম পি পুলিচ ডায়েল ১০০ প্ৰকল্পৰ নিবিদা লাভ কৰা এই প্ৰতিষ্ঠানটোৰ চুক্তি বন্ধ কৰাৰ লগতে পাৰ্ফৰমেন্স নিৰাপত্তা জমা ৰাশি জব্দ আৰু এবছৰৰ বাবে ব্লেকলিষ্টেড কৰা হৈছিল। তেওঁলোকে তথ্যৰ ভুল বৰ্ণনা কৰি নিবিদাৰ চৰ্ত ভংগ কৰিছিল। মধ্যপ্ৰদেশ আৰক্ষীৰ এডিজিপি টেলিকমে বন্ধৰ আদেশ জাৰি কৰাৰ সময়ত মধ্যপ্ৰদেশ আৰক্ষীক তেওঁলোকৰ ইচ্ছামতে ভুল বৰ্ণনাৰ ফলত হোৱা গুৰুতৰ আৰ্থিক লোকচান আৰু ভাবমূৰ্তি হেৰুৱাৰ কথা উল্লেখ কৰে। জেএইএছ হৈছে জে এম্বে গ্ৰুপৰ এটা সহযোগী কোম্পানী, যাৰ মূল ব্যৱসায় পৰিবহণ আৰু সুৰা। উল্লেখ্য যে প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে সুৰা ব্যৱসায়ৰ সৈতে জড়িত এটা গোচৰত ইডিৰ তদন্ত চলি আছে। জানিব পৰা মতে প্ৰতিষ্ঠানটোৱে নিজৰ ক'লা ধন আৰু ৰাজনৈতিক প্ৰভাৱ খটুৱাই কাম আদায় কৰি আহিছে। বহু এম্বুলেঞ্চ কৰ্মীৰ মতামত অনুসৰি এনে নিবিদাৰ ফলত তেওঁলোকৰ চাকৰিৰ প্ৰতি ভাবুকি নামি অহাৰ আশংকা ঘনীভূত হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বনভোজৰ সময়তেই নাটনি গাহৰি মাংসৰ!

ৰাজ্যবাসীৰ মাজত দেখা গৈছে উৎসুকতা। বছৰৰ শেষৰ সময়খিনিত বিভিন্ন স্থানত প্ৰীতিভোজৰ আয়োজন হৈছে। বনভোজস্থলীলৈ বনভোজপ্ৰেমীৰ আগমনৰ সময়তে আহিছে এটা বেয়া খবৰ। পিছে এই বেয়া খবৰটো কেৱল শিৱসাগৰবাসীৰ বাবেহে। কিয়নো শিৱসাগৰত পাবলৈ নাই গাহৰি মাংস। গাহৰি মাংস বিচাৰি হাবাথুৰি খালেও আপুনি শিৱসাগৰত নাপাব গাহৰি মাংস। সম্পূৰ্ণৰূপে শিৱসাগৰত বন্ধ হৈ পৰিল গাহৰি মাংস। বিগত ১৯ নৱেম্বৰৰ পৰা শিৱসাগৰ জিলাখনত বন্ধ হৈ আছে গাহৰি মাংস। শীতৰ আগমনৰ লগে লগে ঠায়ে ঠায়ে প্ৰীতিভোজৰ আয়োজন চলিছে। প্ৰীতিভোজ মানেই হাঁহ, মাছৰ লগতে গাহৰি অন্যতম আকৰ্ষণ। গাহৰিৰ সোৱাদ ল'বলৈ ৰৈ থাকে গাহৰি প্ৰেমীসকল। কিন্তু এইবাৰ ভোগৰ বতৰ আৰম্ভ হোৱাৰ সময়তে গাহৰি প্ৰেমীসকললৈ আহিল এক বেয়া খবৰ। যি খবৰে আশাহত কৰিছে গাহৰি ভালপোৱাসকলক। পুনৰ প্ৰাদুৰ্ভাৱ ঘটিছে আফ্ৰিকান ছোৱাইন ফিভাৰৰ। শিৱসাগৰ জিলাৰ ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত ডিমৌ উন্নয়ন খণ্ডৰ অধীনত থকা ইকৰাণি গ্ৰাণ্ট আৰু বৰ দেউধাই জাপিসজীয়া অঞ্চলত পুনৰ দেখা দিছে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগে। বিগত দুটা বছৰ ধৰি শিৱসাগৰ জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত গাহৰি-পশুধন আক্ৰান্ত হৈ আহিছে এই ৰোগত। শিৱসাগৰ জিলাত ধৰা পৰা এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে জিলা দণ্ডাধীশ আয়ুস গাৰ্গে ১৯ নৱেম্বৰত এক আদেশ জাৰি কৰি শিৱসাগৰ জিলাত গাহৰি মাংস ভক্ষণ পৰৱৰ্তী আদেশ জাৰি নকৰা পৰ্যন্ত বন্ধ ৰাখিছে। এই আদেশ অনুসৰি শিৱসাগৰ জিলাত গাহৰি ক্ৰয়-বিক্ৰয়, সৰবৰাহ, নিধন আদি সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰিছে জিলা দণ্ডাধীশে। গাহৰি পালকসকলক নিজা পশুধনক লৈ সতৰ্কতা অৱলম্বন কৰাৰ লগতে যিকোনো গাহৰিৰ মৃত্যু সন্দৰ্ভত বিভাগক অৱগত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশনা ১৯ নৱেম্বৰ পৰা বৰ্তমানলৈকে বাহাল থকাৰ বাবেই চিন্তিত হৈ পৰিছে গাহৰি মাংসৰ সৈতে জড়িত হৈ থকা ব্যৱসায়ীসকল। প্ৰতিদিনে ৬০ৰ পৰা ৭০ কেজিকৈ গাহৰি মাংস বিক্ৰী কৰা ব্যৱসায়ীসকলৰ দোকান তিনি সপ্তাহ ধৰি বন্ধ হৈ থকাৰ ফলত তেওঁলোক চিন্তিত হৈ পৰিছে। ব্যৱসায়ীসকলৰ মতে এয়া এক ষড়যন্ত্ৰ। নাজিৰাত মুকলি হোৱা গাহৰি মাংস প্ৰক্ৰিয়াকৰণ উদ্যোগটো চলাবৰ বাবেই থলুৱা ব্যৱসায়ীসকলৰ দোকান বন্ধ কৰাৰ চেষ্টা এইদৰে কৰিছে বুলিও গাহৰি ব্যৱসায়ীসকলে ক্ষোভ প্ৰকাশ কৰিছে। শীঘ্ৰে এনে অৱস্থাৰ অৱসান ঘটাবলৈকো ব্যৱসায়ীসকলে প্ৰশাসনক দাবী জনাইছে।

## খানাপাৰাৰ মেট্ৰ' হাস্পতালত ৱাৰ্ড বয়ৰ ভয়ংকৰ কাণ্ডক লৈ চাঞ্চল্য

**ই-সংবাদ, ৯ ডিচেম্বৰঃ** গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত খণ্ডৰ হাস্পতালত সংঘটিত ভয়ংকৰ কাণ্ডই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। খানাপাৰাস্থিতি ব্যক্তিগত খণ্ডৰ হাস্পতাল মেট্ৰ' হাস্পতালত এগৰাকী কিশোৰীৰ সৈতে অপকৰ্ম কৰিব খোজাৰ অভিযোগে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মেট্ৰ' হাস্পতালৰ আইচিইউত এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, কৰ্তব্যৰত ৱাৰ্ড বয়ে এই কাণ্ড সংঘটিত কৰা বুলি ৰোগীৰ পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। ৱাৰ্ড বয়জনৰ নাম হৈছে যাদৱ নাথ। অভিযোগ মতে, আইচিইউত জোৰ-জবৰদস্তি কৰি যৌন শোষণৰ প্ৰয়াস কৰে যাদৱ নাথে। অভিযোগ উত্থাপন কৰি ইতিমধ্যে ৰোগীৰ পৰিয়ালে দাখিল কৰা এজাহাৰৰ ভিত্তিত অভিযুক্ত নাথক গ্ৰেপ্তাৰ কৰা হৈছে। ঘটনাক লৈ গোচৰ ৰুজু কৰা হৈছে। বশিষ্ঠ আৰক্ষীয়ে ঘটনাক লৈ তদন্ত অব্যাহত ৰাখিছে। ইপিনে হাস্পতাল কৰ্তৃপক্ষই আনুষ্ঠানিক স্পষ্টিকৰণ দিয়া নাই যদিও অভিযুক্ত যাদৱে তেনে কাম কৰা নাই বুলি কৈ অভিযোগ অস্বীকাৰ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক ‘কৰ্মযোগী’ সন্মান

হিমন্ত বিশ্ব শৰ্মা। দিনৰ প্ৰায় ১২ বজাত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে তিনিটাকৈ প্ৰকল্প উদ্বোধন কৰাৰ লগতে এটা ছুইমিং পুলৰো আধাৰশিলা স্থাপন কৰে। আকাশীপথেৰে সৰুপথাৰ মিনি ষ্টেডিয়ামত অৱতৰণ কৰি পোনে পোনেই উক্ত ষ্টেডিয়ামৰ সমীপতে ২ কোটি টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা ইনড'ৰ ষ্টেডিয়ামৰ উদ্বোধন কৰে। এই সময়ছোৱাত বিশ্ব মানদণ্ডৰ খেলুৱৈ লাভলীনা বৰগোহাঁই, নয়নমণি শইকীয়াকে ধৰি বহু কেইগৰাকী গণ্য-মান্য খেলুৱৈ উপস্থিত আছিল। ইয়াৰ পিছত ছোৱাগুৰিত উপস্থিত হৈ উক্ত গাঁওখনত নিৰ্মাণ কৰা গ্ৰাম্য ষ্টেডিয়ামৰ উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। তদুপৰি নৱনিৰ্মিত সৰুপথাৰ সমজিলাৰ ১০০খন বিছনাযুক্ত চিকিৎসালয়ৰ উদ্বোধন কৰাৰ লগতে চিকিৎসালয়খনৰ সংলগ্ন অক্সিজেন প্লাণ্ট এটাও উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে। সৰুপথাৰৰ আৱৰ্ত ভৱনত কিছু সময় কটাই পুনৰ সৰুপথাৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হৈ থকা সদৌ অসম নেপালী সাহিত্য সভাৰ মুকলি সভাত উপস্থিত হৈ তেওঁ ৰাইজক সম্বোধন কৰে। উক্ত সভাতেই অসম নেপালী সাহিত্য সভাৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীক 'কৰ্মযোগী' উপাধি প্ৰদান কৰা হয়। আজিৰ দিনটোত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনকে ধৰি দলীয় নেতা-কৰ্মী, বিষয়া আদি উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শতাধিক ট্ৰেইলাৰ লগাই নিশাৰ ভাগত

গুৰুত্বপূৰ্ণ কাৰ্যালয় শিৱসাগৰৰ পৰা স্থানান্তৰিত কৰাৰ লগতে এম-৪৯০০ নম্বৰৰ ৰীগটো কৌশলেৰে বিদেশী কোম্পানীক গতাই দিয়াৰ সময়তেই এইবাৰ মাজনিশা গোপনে এটা বৃহৎ ৰীগ লাকুৱাৰ পৰা উত্তৰ প্ৰদেশৰ বৰেলীলৈ স্থানান্তৰিত কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কালি নিশাই অ'এনজিচি কৰ্তৃপক্ষৰ এই গোপন ষড়যন্ত্ৰৰ কথা জানিব পাৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একাংশ সদস্যই লাকুৱা তৈল ক্ষেত্ৰৰ অন্তৰ্গত স্থানান্তৰিত কৰিবলৈ লোৱা উক্ত ৰীগটোৰ সন্মুখত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ইতিমধ্যে প্ৰায় বিশখন ট্ৰেইলাৰে বহু সংখ্যক যন্ত্ৰপাতি বোজাই কৰি লাকুৱাৰ পৰা উত্তৰ প্ৰদেশৰ বৰেলীলৈ যাত্ৰা আৰম্ভ কৰিছে যদিও বাকীসমূহ ট্ৰেইলাৰে বৰ্তমানলৈকে যাত্ৰা আৰম্ভ কৰিব পৰা নাই। ঘটনাৰ সম্পৰ্কত যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক পলাশ ৰাজকোঁৱৰে জানিবলৈ দিয়া মতে সম্পূৰ্ণ সক্ৰিয় অৱস্থাত থকা ই-২০০০-৬ নম্বৰৰ ড্ৰিলিং ৰিগটো কালি নিশা লাকুৱাৰ পৰা স্থানান্তৰিত কৰিবলৈ প্ৰায় ১২০খন ট্ৰেইলাৰ সাজু কৰি ৰখাৰ তথ্য পায়েই যুৱ-ছাত্ৰ কৰ্মীসকলে প্ৰতিবাদ কৰিছিল। আজি দিনৰ ভাগতো প্ৰতিবাদ কৰা যুৱ-ছাত্ৰ পৰিষদৰ সম্পাদকগৰাকীয়ে জানিবলৈ দিয়া মতে ইয়াৰ আঁৰত গভীৰ ষড়যন্ত্ৰ লুকাই আছে। শেহতীয়াকৈ এম-৪৯০০ ৰিগটোও অ'এনজিচিৰ অসম বিৰোধী চক্ৰটোৱে এটা বিদেশী কোম্পানীক গতাই দিছে। কাৰ্যত, অসম সম্পদক শক্তিহীন কৰি পৰিকল্পিত ষড়যন্ত্ৰৰে অ'এনজিচিক শিৱসাগৰ জিলাৰ পৰা উঠাই নিয়াৰ ষড়যন্ত্ৰৰ অংশ হিচাপেই মাজনিশা শতাধিক ট্ৰেইলাৰেৰে এই বৃহৎ ৰিগটো লাকুৱাৰ পৰা স্থানান্তৰিত কৰিছে বুলি সন্দেহ কৰিছে। আজি দিনৰ ভাগত যুৱ-ছাত্ৰ পৰিষদৰ দলটোৱে নিগমৰ বিষয়াৰ সৈতে বাৰ্তালাপ কৰোতে এইয়া ৰুটীন প্ৰক্ৰিয়া বুলি উল্লেখ কৰাৰ লগতে সেই স্থানলৈ পুনৰ আন এটা নতুন ৰিগ আনি সংস্থাপিত কৰা হ'ব বুলি জানিবলৈ দিয়ে। অৱশ্যে যুৱ-ছাত্ৰ পৰিষদে এই কথাত আশ্বস্ত নহয় বুলি স্পষ্ট কৰি দিয়াৰ লগতে এই সম্পৰ্কত নিগমক শ্বেতপত্ৰ ৰাজহুৱা কৰিবলৈ দাবী জনাইছে। লগতে ইয়াৰ অন্যথা তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰীসভা সম্প্ৰসাৰণৰ পিছতেই দপ্তৰৰো

চাৰি মন্ত্ৰী আৰু পূৰ্বৰ মন্ত্ৰীসকলক দপ্তৰ বিতৰণ কৰি তালিকা প্ৰকাশ কৰিছে। পূৰ্ব অনুমান অবিহনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলো মন্ত্ৰীৰে দপ্তৰ ব্যাপক হাৰত সাল-সলনি কৰিছে। কেইবাগৰাকী মন্ত্ৰীৰ দপ্তৰ সাল-সলনি কৰাত কেবাগৰাকী মন্ত্ৰীৰ প্ৰভাৱ হ্ৰাস পাইছে। দপ্তৰ কৰ্তন কৰাৰ লগে লগে দল আৰু চৰকাৰত যে প্ৰভাৱ হ্ৰাস পাইছে তাকে সূচাইছে। জল্পনা-কল্পনাৰ অন্ত পেলাই আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুনকৈ অন্তৰ্ভুক্ত চাৰি মন্ত্ৰীক দপ্তৰ বিতৰণ কৰিছে। ৭ ডিচেম্বৰত শপত লোৱা চাৰি মন্ত্ৰী লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালক দপ্তৰ দিয়া হৈছে। প্ৰশান্ত ফুকনক শক্তি, স্বাস্থ্য শিক্ষা আৰু দক্ষতা বিকাশ বিভাগ দিয়া হৈছে। ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ, কাৰাগাৰ, হোমগাৰ্ড বিভাগ দিয়া হৈছে। কৌশিক ৰায়ক খনি আৰু খনিজ, খাদ্য-অসামৰিক যোগান আৰু বৰাক উপত্যকা উন্নয়ন বিভাগ দিয়া হৈছে। কৃষ্ণেন্দু পালক পশুপালন, মীন, লোক নিৰ্মাণ (পিএমজিএছৱাই) বিভাগ দিয়া হৈছে। চাৰি মন্ত্ৰীক দপ্তৰে দিয়াৰ ফলত পূৰ্বৰে পৰা মন্ত্ৰী হৈ থকা জয়ন্তমল্ল বৰুৱা, পীযুষ হাজৰিকা, নন্দিতা গাৰ্লোছা, যোগেন মহন, অতুল বৰা, কেশৱ মহন্ত, অশোক সিংঘলে গুৰুত্বপূৰ্ণ দপ্তৰ হেৰুৱাবলগীয়া হয়। নন্দিতা গাৰ্লোছাৰ শক্তি, জয়ন্তমল্ল বৰুৱাৰ পৰা পৰ্যটন বিভাগ, কেশৱ মহন্তৰ পৰা আবকাৰী আৰু পৰিবহণ বিভাগ, অশোক সিংঘলৰ পৰা নগৰ উন্নয়ন আৰু গুৱাহাটী উন্নয়ন বিভাগ, ৰণজিত দাসৰ পৰা খাদ্য আৰু অসামৰিক যোগান বিভাগ, অতুল বৰাৰ পৰা পশুপালন বিভাগ, কেশৱ মহন্তৰ পৰা মীন বিভাগ, যোগেন মহনৰ পৰা ৰাজহ বিভাগ কৰ্তন কৰা হৈছে। নতুনকৈ মন্ত্ৰীসভাত স্থান লাভ কৰা চাৰি মন্ত্ৰীৰ ভিতৰত সকলোতকৈ গুৰুত্বপূৰ্ণ বিভাগ লাভ কৰিছে ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে। প্ৰশান্ত ফুকনক প্ৰদান কৰা হৈছে শক্তি বিভাগ। শক্তি বিভাগৰ লগতে দক্ষতা বিকাশ আৰু স্বাস্থ্য শিক্ষা বিভাগটো প্ৰদান কৰা হৈছে। লোভনীয়া শক্তি বিভাগ প্ৰদান কৰা হৈছে প্ৰশান্ত ফুকনক। শপতগ্ৰহণৰ দুদিন পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুনকৈ শপত লোৱা মন্ত্ৰীসকলক দপ্তৰ বিতৰণ আৰু পুৰণি মন্ত্ৰীসকলৰ দপ্তৰ সাল-সলনি কৰাত বিজেপি দল আৰু চৰকাৰত মিশ্ৰিত প্ৰতিক্ৰিয়া সৃষ্টি হোৱা বুলি জানিব পৰা গৈছে। কিয়নো কেইবাজনো মন্ত্ৰীৰ পৰা লোভনীয় বিভাগ কৰ্তন কৰিছে মুখ্যমন্ত্ৰীয়ে। কেইবাগৰাকী মন্ত্ৰীৰ দপ্তৰ সাল-সলনি কৰাত কেবাগৰাকী মন্ত্ৰীৰ প্ৰভাৱ হ্ৰাস পাইছে। দপ্তৰ কৰ্তন কৰাৰ লগে লগে দল আৰু চৰকাৰত যে প্ৰভাৱ হ্ৰাস পাইছে তাকে সূচায়। ৰণজিৎ কুমাৰ দাসৰ হাতৰ খাদ্য আৰু অসামৰিক যোগান বিভাগ কৰ্তন কৰা হয়। ৰণজিৎ কুমাৰ দাসক পঞ্চায়ত-গ্ৰামোন্নয়ন, আইন, সাধাৰণ প্ৰশাসন আৰু পৰ্যটন বিভাগ দিয়া হয়। অতুল বৰাক আবকাৰী, কৃষি, সীমান্ত সুৰক্ষা-উন্নয়ন, উদ্যানশস্য, অসম চুক্তি ৰূপায়ণ বিভাগ দিয়া হয়। কেশৱ মহন্তক ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, তথ্য-প্ৰযুক্তি, বিজ্ঞান-প্ৰযুক্তি, জলবায়ু পৰিৱৰ্তন বিভাগ দিয়া হয়। উৰ্খাও গীড়া ব্ৰহ্মক বড়োলেণ্ড কল্যাণ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ বিভাগ দিয়া হয়। চন্দ্ৰমোহন পাটোৱাৰীক সংসদীয় পৰিক্ৰমা, এক্ট ইষ্ট পলিচি পৰিক্ৰমা, বন আৰু পৰিৱেশ বিভাগ দিয়া হয়। ডাঃ ৰণোজ পেগুক শিক্ষা, ভৈয়াম-জনজাতি উন্নয়ন বিভাগ দিয়া হৈছে। অশোক সিংঘলক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু পূৰ্বৰ জলসিঞ্চন বিভাগ দিয়া হৈছে। যোগেন মহনক পাৰ্বত্য অঞ্চল উন্নয়ন, পৰিবহণ, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস বিভাগ দিয়া হৈছে। অজন্তা নেওগক বিত্ত, মহিলা আৰু শিশু উন্নয়ন বিভাগ দিয়া হৈছে। পীযুষ হাজৰিকাক জলসম্পদ, তথ্য-জন সংযোগ-মুদ্ৰণ, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ দিয়া হৈছে। বিমল বড়াক সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ-বাণিজ্য বিভাগ দিয়া হৈছে। জয়ন্তমল্ল বৰুৱাক গৃহ-নগৰ পৰিক্ৰমা, জনস্বাস্থ্য কাৰিকৰী বিভাগ দিয়া হৈছে। নন্দিতা গাৰ্লোছা ক্ৰীড়া-যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ দিয়া হৈছে। উল্লেখ্য যে, ৭ ডিচেম্বৰত কলাক্ষেত্ৰত চাৰি বিধায়কে নতুনকৈ মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছোনিয়া গান্ধীৰ জন্মদিন উদযাপন

সুৰক্ষা আইন, তথ্য জনাৰ অধিকাৰ আইন আদিৰ দৰে আইন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ছোনিয়া গান্ধীৰ জন্ম দিন আজি ৰাজ্যজুৰি পালন কৰে অসম প্ৰদেশ কংগ্ৰেছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ উপস্থিতিত লখিমপুৰৰ ৰঙানদী সমষ্টিত ইউপিএৰ প্ৰাক্তন অধ্যক্ষ, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভানেত্ৰী তথা ৰাজ্যসভাৰ সাংসদ ছোনিয়া গান্ধীৰ জন্ম দিন পালন কৰা হয়। গান্ধীৰ জন্ম দিন উপলক্ষে কংগ্ৰেছ দলৰ ভূমিকা আৰু কংগ্ৰেছ দলৰ দূৰদৰ্শিতা সম্পৰ্কত অনুষ্ঠিত সভাত তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰ বৰুৱা আৰু জিলা কংগ্ৰেছৰ সভাপতিয়ে আলোচনা আগবঢ়ায়। ৰঙানদী সমষ্টিত জন্ম দিন পালন কাৰ্যসূচীত অংশ লৈ ভূপেন বৰাই ছোনিয়া গান্ধীক দূৰদৰ্শী নেত্ৰী, ত্যাগ আৰু সাহসৰ প্ৰতীক আখ্যা দিয়ে। ভূপেন বৰাই লগতে কয় যে মনমোহন সিং চৰকাৰৰ দিনত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ হৈ থকা ছোনিয়া গান্ধীয়ে গাঁৱলীয়া পৰিয়ালসমূহক ১০০ দিনৰ কামৰ নিশ্চিতি প্ৰদান কৰিবলৈ নিয়োগ নিশ্চিত আইন ৰূপায়ন কৰিছিল। ইয়াৰ দ্বাৰা গাঁৱলীয়া পৰিয়ালৰ জীৱিকা নিশ্চিত হৈছিল। ফলত দৰিদ্ৰতা হ্ৰাস হৈছিল। ২০০৬ চনৰ পৰা আৰম্ভ হোৱা এই আঁচনিয়ে লক্ষ লক্ষ লোকক নিয়োগৰ সুবিধা দিছিল। কিন্তু এনডিএৰ চৰকাৰে এই আইনখনৰ বাজেট হ্ৰাস কৰিছে। বিজেপিয়ে আঁচনিখনক লৈ জটিলতাই নহয়, আঁচনিখনৰ আইনী অধিকাৰ কম কৰিছে। দেশৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ ক্ষেত্ৰত মনমোহন সিং আৰু ছোনিয়া গান্ধীয়ে বিশেষ আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলিও কয় সভাপতি বৰাই। ছোনিয়া গান্ধীৰ জন্মদিন পালন কাৰ্যসূচীত অংশ লৈ বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি সভাপতিগৰাকীয়ে কয় যে কংগ্ৰেছ দলটোৱে পঞ্চায়ত নিৰ্বাচনক লৈ আগন্তুক যি ৰণনীতি তাকে লৈ আলোচনা কৰা হৈছে। সদ্যহতে আমি পঞ্চায়ত নিৰ্বাচনত মনোনিৱেশ কৰিছো। পঞ্চায়ত নিৰ্বাচনৰ পিছত ৰাইজৰ মত বুজি পাম। ৰাইজে কি বিচাৰিছে সেই কথা আমি বুজি পাম। উপ-নিৰ্বাচন কেৱল ৫টা সমষ্টিতহে অনুষ্ঠিত হৈছিল। পঞ্চায়ত নিৰ্বাচন বুথে বুথে, ৱাৰ্ডে ৱাৰ্ডে হ'ব। পঞ্চায়ত নিৰ্বাচনৰ ফলাফল চাইহে পৰৱৰ্তী সময়ত বিধানসভাৰ নিৰ্বাচনক লৈ আলোচনা কৰিম। আনহাতে, নাওবৈচা সমষ্টি মুখ্যমন্ত্ৰীয়ে নষ্ট কৰা বুলি অভিযোগ উত্থাপন কৰি ভূপেন বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাই এই সমষ্টিটো নষ্ট কৰিছে। সমষ্টিটো দুফাল কৰি বেমেজালিৰ সৃষ্টি কৰিছে। ৰঙানদী সমষ্টিৰ ৰাস্তা খুব বেয়া। মই মুখ্যমন্ত্ৰীক লগ পাওতে মুখ্যমন্ত্ৰীক কৈছো। বিজেপি আৰু মুখ্যমন্ত্ৰীয়ে ৰঙানদী সমষ্টিক মাহীআইৰ চকুৰে চাইছে। আনহাতে বিৰোধী বিধায়কে সমষ্টি এটা আগুৱাই নিব নোৱাৰে বুলি উল্লেখ কৰি বৰাই কয় যে সামাজিক, আৰ্থিকভাৱে সমষ্টি আগুৱাই নিবলৈ হ'লে চৰকাৰখনৰ সহযোগিতা লাগিব। বিধায়কজনে আবেদন-নিবেদন কৰিব পাৰিব। চৰকাৰেখনে নিদিও বুলি ভাবিলে কি কৰিব পাৰিব বিধায়কে। আজি জালুকবাৰীত কাম হৈ আছে। হিমন্ত বিশ্ব শৰ্মাই নিজ সমষ্টিত দি আছে. ৰঙানদী সমষ্টিত ৰাস্তা বিলাক কিয় নহয়। স্কুল, ভাল হাস্পতাল কিয় নহয়। বিজেপিৰ বাবে ৰঙানদী সমষ্টিৰ সামগ্ৰিক বিকাশ ৰুদ্ধ হৈছে। ইফালে, আজি ৰাজীৱ ভৱনতো কেন্দ্ৰীয়ভাৱে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীৰ জন্ম দিৱস পালন কৰা হয়। ৰাজীৱ ভৱনত জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰামান্না বৰুৰা, বিপুল কুমাৰ গগৈৰ নেতৃত্বত কংগ্ৰেছ নেত্ৰীগৰাকীৰ জন্ম দিৱস উদযাপন কৰা হয়। বিভিন্ন জিলাতো আজি জিলা কংগ্ৰেছ কমিটিসমূহৰ উদ্যোগত ব্যাপক উলহ-মালহেৰে ছোনিয়া গান্ধীৰ জন্ম দিৱস পালন কৰা হয়। শোণিতপুৰ জিলা কংগ্ৰেছে পালন কৰা ছোনিয়া গান্ধীৰ জন্মদিন পালন কাৰ্যসূচীত অংশ গ্ৰহণ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই ছোনিয়া গান্ধীক দেশৰ মহিলাৰ আদৰ্শ বুলি কয়। ভাৰতৰ ৰাজনীতিত মহিলাৰ অংশীদাৰিত্বক লৈ চিন্তা ব্যক্ত কৰি ছোনিয়া গান্ধীয়ে হাজাৰ বাধা-বিঘিনি স্বত্বেও ভাৰতীয় ৰাজনীতিত মাইলৰ খুঁটি হৈ থিয় দিয়া বুলিও কয় বেদব্ৰত বৰাই। তেওঁ আৰু কয় যে অনাগত দিনত ভাৰতীয় ৰাজনীতিত ছোনিয়া গান্ধীয়ে সদায়েই এগৰাকী আদৰ্শ নেত্ৰী হৈ থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ নিযুক্ত

তেওঁৰ নিযুক্তিৰ বিষয়ে ঘোষণা কৰিছে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে। উল্লেখ্য যে, বৰ্তমান মালহোত্ৰা নৰেন্দ্ৰ মোদী চৰকাৰৰ ৰাজহ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। অহা তিনি বছৰলৈ তেওঁ ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ পদত অধিষ্ঠিত হ'ব। ৰাজস্থান কেডাৰৰ ১৯৯০ বেচৰ আই এ এছ বিষয়া সঞ্জয় মালহোত্ৰাই আই আই টি কানপুৰৰ পৰা কম্পিউটাৰ বিজ্ঞানত স্নাতক ডিগ্ৰী আৰু প্ৰিন্সটন ইউনিভাৰ্চিটীৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। ৩৩ বছৰীয়া পেছাদাৰী জীৱনত শক্তি, বিত্ত, কৰ, তথ্য প্ৰযুক্তি, খননকে ধৰি বিভিন্ন চৰকাৰী বিভাগত কাম কৰি আহিছে। ৰাজহ সচিব হিচাপে নিযুক্তি পোৱাৰ পূৰ্বে তেওঁ বিত্ত মন্ত্ৰালয়ৰ সচিব আছিল। উল্লেখ্য যে, সঞ্জয় মালহোত্ৰাই প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ ফলক প্ৰস্তুত কৰাতো বিশেষ অৱদান আগবঢ়াইছে। ইফালে বৰ্তমানৰ ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ কাৰ্যকাল ১০ ডিচেম্বৰত অন্ত পৰিব। ২০১৮ চনত ৰিজাৰ্ভ বেংকৰ ২৫ সংখ্যক গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছিল দাসক। ইয়াৰ পিছত ২০২১ চনত তেওঁৰ কাৰ্যকাল আৰু তিনি বছৰৰ বাবে বৃদ্ধি কৰা হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংখ্যালঘুৰ নিৰাপত্তাক লৈ ভাৰত

থকা অশান্ত পৰিস্থিতিৰ মাজতে সোমবাৰে ঢাকাত বাংলাদেশৰ বৈদেশিক সচিব মহম্মদ জাচিমুদ্দিনৰ সৈতে বৈঠকত মিলিত হয় ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰী। এই বৈঠকৰ পিছতে ভাৰত-বাংলাদেশৰ সম্পৰ্কৰ ভৱিষ্যতক উত্থাপন হৈছে বহু প্ৰশ্নৰ। একে সময়তে বৈঠকত কি কি বিষয়ে আলোচনা কৰা হ'ল সেয়াও গুৰুত্বপূৰ্ণ হৈ পৰিছে। বৈঠকত অন্তত ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে বাংলাদেশত সংখ্যালঘু লোকৰ ওপৰত আক্ৰমণৰ ঘটনা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। এই সন্দৰ্ভত ভাৰতে বাংলাদেশলৈ নিজৰ উদ্বেগ প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও বাংলাদেশৰ সাংস্কৃতিক আৰু ধৰ্মীয় সম্পত্তিৰ ওপৰত আক্ৰমণৰ দৰে কৰুণ ঘটনাৰ বিষয়েও আলোচনা কৰা হয়। তেওঁ কয় যে ভাৰতে সদায় বাংলাদেশৰ অন্তৰৱৰ্তীকালীন চৰকাৰৰ সৈতে সুসম্পৰ্ক বজাই ৰাখিব বিচাৰে আৰু দুয়োখন দেশৰ মাজত নিয়মীয়া যোগাযোগ আছে। বিক্ৰম মিশ্ৰীয়ে লগতে কয় যে ভাৰতে সদায় বাংলাদেশৰ সৈতে সুসম্পৰ্ক বজাই ৰাখিব বিচাৰে আৰু এই বৈঠকতো একেই বাৰ্তা প্ৰেৰণ কৰা হৈছে। তেওঁ বিশেষভাৱে উল্লেখ কৰে যে মহম্মদ ইউনুছে বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত লোৱাৰ পিছত তেওঁক অভিনন্দন জ্ঞাপন কৰা প্ৰথমজন প্ৰধানমন্ত্ৰীয়েই আছিল নৰেন্দ্ৰ মোদী। মিশ্ৰীয়ে লগতে কয় যে পৰৱৰ্তী সময়ত ইউনুছ আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ মাজত আন্তিৰক বাৰ্তালাপো হৈছে। ইয়াৰ উপৰিও মোদীৰ আমন্ত্ৰণতে ইউনুছে গ্ল'বেল চাউথ ছামিটত অংশ লোৱা বুলি দাবী কৰে বৈদেশিক সচিবগৰাকীয়ে। কিন্তু এই বৈঠকৰ জৰিয়তে ভাৰত-বাংলাদেশৰ সম্পৰ্কত নতুন দিগন্ত মুকলি হ'ব নে নহয় সেয়া সময়ে ক'ব। কিন্তু সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দুয়োখন দেশৰ সম্পৰ্ক উন্নত কৰাৰ বাবে এই বৈঠক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ইফালে, বিএনপিয়ে ভাৰতৰ বিৰুদ্ধে ঢাকা টু আগৰতলা শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধনখড়ক লৈ অসন্তুষ্ট বিৰোধী দল

সোমবাৰে বিজেপিয়ে ৰাজ্যসভাত কংগ্ৰেছৰ সৈতে জৰ্জ ছ'ৰছৰ সম্পৰ্কৰ অভিযোগ উত্থাপন কৰাৰ পিছতে শাসক-বিৰোধীৰ মাজত তীব্ৰ বিতৰ্কৰ সৃষ্টি হয়। ইয়াৰ মাজতে বিৰোধী দলসমূহে ৰাজ্যসভাৰ অধ্যক্ষ তথা উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিবলৈ সাজু হৈছে। বিৰোধীয়ে এই প্ৰস্তাৱ সংবিধানৰ ৬৭(খ) অনুচ্ছেদৰ অধীনত আনিব বিচাৰিছে আৰু ইতিমধ্যে বহু সদস্যই স্বাক্ষৰ কৰিছে। উল্লেখ্য যে, সংবিধানৰ ৬৭(খ) অনুচ্ছেদ অনুসৰি, ৰাজ্যসভাত প্ৰস্তাৱৰ দ্বাৰা উপ-ৰাষ্ট্ৰপতিক অপসাৰণ কৰিব পাৰি, যদিহে তেওঁ সদস্যৰ সংখ্যাগৰিষ্ঠতাৰ সমৰ্থন লাভ কৰে আৰু লোকসভাই প্ৰস্তাৱত সন্মতি দিয়ে। কিন্তু প্ৰস্তাৱ দাখিল কৰিবলৈ কমেও ১৪ দিনৰ পূৰ্বে জাননী দিব লাগিব, যাতে প্ৰস্তাৱৰ উদ্দেশ্য স্পষ্ট হয়। জানিব পৰা মতে, তৃণমূল কংগ্ৰেছৰ সদস্যসকলেও ৰাজ্যসভাৰ অধ্যক্ষৰ বিৰুদ্ধে এই অনাস্থা প্ৰস্তাৱ অনাৰ পক্ষত থিয় দিছে। তৃণমূলৰ এগৰাকী জ্যেষ্ঠ সদস্যই কয় যে কংগ্ৰেছে এই উদ্যোগ ল'লে ভাল হ'ব। ৰাজ্যসভাৰ অধ্যক্ষক অপসাৰণৰ বাবে ৫০ জন সদস্যৰ স্বাক্ষৰৰ প্ৰয়োজন, যিটো বিগত বৰ্ষাকালীন অধিৱেশনত আলোচনা হৈছিল যদিও পিছত বিৰোধী দলসমূহে নিজৰ স্থিতি সলনি কৰিছিল। ইফালে, শাসকীয় নেশ্যনেল ডেম'ক্ৰেটিক এলায়েন্সে কংগ্ৰেছ আৰু নেতাসকলে বিদেশী সত্তা আৰু ব্যক্তিৰ জৰিয়তে দেশক অস্থিৰ কৰিবলৈ চেষ্টা কৰা বুলি অভিযোগ উত্থাপন কৰে। এন ডি এৰ সদস্যসকলে এই বিষয়ত আলোচনা কৰিব বিচাৰিছে যদিও কংগ্ৰেছ নেতৃত্বাধীন বিৰোধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চৰকাৰৰ বিৰুদ্ধে শ্লোগান দি সংসদত উত্তেজনাৰ সৃষ্টি কৰে। এই পৰিস্থিতিত তিনিবাৰকৈ সভা স্থগিত ৰখাৰ অন্তত বিয়লি ৩ বজাৰ পৰা ৰাজ্যসভাৰ অধিৱেশন আৰম্ভ হয় যদিও উত্তেজনা অব্যাহত থাকে। বিৰোধী দলৰ সাংসদসকলে চৰকাৰ বিৰোধী শ্লোগান দি পৰিস্থিতি উত্তপ্ত কৰি ৰাখে। ইফালে ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ে প্ৰধানমন্ত্ৰী জে পি নাড্ডা আৰু বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেৰ সৈতে বৈঠকত মিলিত হোৱা বুলি জানিবলৈ দিয়ে। মঙলবাৰে পুৱা পুনৰ বৈঠক অনুষ্ঠিত হ'ব বুলিও তেওঁ কয়। ৰাষ্ট্ৰপতি ধনখড়ে সংসদ সদস্যসকলক আত্মচিন্তাৰ আহ্বান জনায়, আৰু সংসদৰ কাৰ্য্যবিধি শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে আবেদন জনায়। কিন্তু সংসদত বিশৃংখলতা অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত অৱশেষত বিয়লি প্ৰায় ৩:১০ বজাত তেওঁ কাৰ্য্যবিধি স্থগিত ৰাখে। প্ৰণিধানযোগ্য যে, উপ-ৰাষ্ট্ৰপতি ৰাজ্যসভাৰ পদমৰ্মে অধ্যক্ষ হয় আৰু ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়তে ৰাজ্যসভাৰ অধ্যক্ষ হোৱা বন্ধ কৰে। এই সময়ত তেওঁ কোনো ধৰণৰ দৰমহা বা ভাট্টা লাভৰ অধিকাৰী নহয়। কংগ্ৰেছৰ লগতে ইণ্ডিয়া মিত্ৰজোঁটৰ অন্যান্য দলসমূহে ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ৰ বিৰুদ্ধে পক্ষপাতিত্বমূলক ব্যৱহাৰৰ অভিযোগ কৰিছে। বিৰোধী নেতা খাৰ্গেক কথা ক'বলৈ নিদিয়া আৰু মাইক্ৰ'ফন বন্ধ কৰি ৰখাৰ অভিযোগ আনে বিৰোধীয়ে।

# মুখ্যমন্ত্ৰীৰ মিথ্যাচাৰৰ বিৰুদ্ধে কৃষক মুক্তিৰ প্ৰতিবাদ

**ই-সংবাদ, শিৱসাগৰ, ৯ ডিচেম্বৰঃ** বৰ্তমানৰ বিজেপি অগপ মিত্ৰজোঁট চৰকাৰৰ কাৰ্যকাল অন্ত পৰিবলৈ মাজত মাত্ৰ এটা বছৰহে আছে যদিও বিগত বিধানসভা নিৰ্বাচনৰ সময়তে ঋণগ্ৰস্ত মহিলাসকলক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হোৱা নাই কথা চহকী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিশেষকৈ মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও এই পৰ্যন্ত শ শ মহিলাৰ ক্ষেত্ৰত সেয়া সপোন হৈয়ে ৰ'ল। ইয়াৰ পাৰিপেক্ষিতত আজি শিৱসাগৰ দ'লমুখ চাৰিআলিত কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু নাৰী মুক্তি সংগ্ৰাম সমিতিৰ নেতৃত্বত প্ৰায় শতাধিক মহিলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সকলো সৰ্বহাৰা মহিলাৰ মাইক্ৰফাইনেন্সৰ ঋণ ৰেহাই দিব লাগিবই, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কথা দি কথা ৰাখিব লাগিবই, ঋণ ৰেহাই দিব নোৱাৰা বিজেপি চৰকাৰ সূচীয়াৰ, হিমন্ত বিশ্ব শৰ্মা হুছিয়াৰ, প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰা হিমন্ত বিশ্ব শৰ্মাৰ কাম নাই আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ৰিতুমণি হাজৰিকাই কয় সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকা দিনৰ পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা নীতি বৰ্হিভূতভাৱে অবৈধ মাইক্ৰফাইনেন্সৰ ঋণ ৰেহাই দাবীত প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। যোৱা বিধানসভা নিৰ্বাচনৰ আগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিখন সভাত মহিলা সকলক একগোট কৰি সকলোৰে মহিলাৰ মাইক্ৰফাইনেন্সৰ ঋণ ৰেহাই দিয়া হ'ব বুলি ঘোষণা কৰি লগতে কোনো মহিলাই ঋণ ঘূৰাই দিব নালাগে বুলি কৈছিল, কিন্তু বৰ্তমান সময়ত যি সকল মহিলাই ঋণ ঘূৰাই আছিল বা ঘূৰাব পৰা অৱস্থাত আছিল সেইসকল মহিলাকহে পচিছ হাজাৰকৈ উদগনিমূলক ভাবে ৰেহাই দিয়ে। এতিয়া পুনৰ যি সকল মহিলাৰ পঞ্চাশ হাজাৰ টকাৰ তলত ঋণ আছে সেই সকলক ৰেহাই দিয়া হ'ব বুলি পঞ্চায়ত নিৰ্বাচনৰ আগত মহিলাসকলক ৰাজনৈতিকভাৱে লোভ দিবলৈ আহিছে। ইতিমধ্যেই মহিলা সকল ঋণৰ কিস্তি সাত দিনৰ মূৰে মূৰে দিব লগা হোৱাত মহিলাসকলৰ গৰু-ছাগলীৰ লগতে সকলো বিক্ৰী শেষ কৰি সৰ্বহাৰা হৈ গল, কৰ'নাৰ সময়তো মানুহ জুৰুলা হল। কিন্তু বৰ্তমানেও মাইক্ৰফাইনেন্সৰ কালেক্টৰসকল ঘৰে ঘৰে গৈ হাৰাশাস্তি কৰি আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্বয়ং নিজে মহিলাসকলক ঋণ ৰেহাই দিম বুলি কৈ এতিয়া মিথ্যাচাৰৰ আশ্ৰয় লৈছে। গতিকে অহা পঞ্চায়ত নিৰ্বাচনৰ আগত সকলো মহিলাৰ ঋণ ৰেহাই নিদিলে বিজেপিক গাঁৱত সোমাবলৈ নিদিয়াৰ লগতে বিজেপি চৰকাৰখনক উৎখাত কৰাৰ সংকল্প লয়। প্ৰতিবাদস্থলীত কৃষক মুক্তিৰ শিৱসাগৰ জিলাৰ যুটীয়া সম্পাদক দুৰ্লভ দিহিঙীয়া, কৰুণা শইকীয়া, উপসভাপতি আদিত্য গগৈ, জিলা ছাত্ৰ মুক্তিৰ যুটীয়া সম্পাদক ভাস্কৰ বৈৰাগী, সহসম্পাদক চানদ্বীপ গগৈ, জিলা নাৰীমুক্তিৰ জিতুমনি গগৈ, ৰূপামণি খনিকৰ, জোনমণি গগৈ, চিন্তামণি গগৈ, অপৰ্ণা বসুমতাৰী, কৃষ্ণা গগৈ উপস্থিত থাকি মাইক্ৰফাইনেন্সৰ ঋণ সকলো মহিলাক ৰেহাই দিয়াৰ দাবী জনায় আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কথা দি কথা ৰাখিবলৈ আহ্বান জনায়, অন্যথাই হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিজেপি চৰকাৰখনক অসমৰ পৰাই সকলো মহিলা একগোট হৈ উৎখাত কৰা হ'ব বুলি হুংকাৰ দিয়ে।

# কোকৰাঝাৰত গ্ৰামোন্নয়নৰ আটকধুনীয়া কাৰ্যালয় গৃহ মুকলি

**ই-সংবাদ, কোকৰাঝাৰ, ৯ ডিচেম্বৰঃ** কোকৰাঝাৰ সদৰ চহৰত আজি পঞ্চায়ত আৰু গ্ৰাম্যন্নোয়ন সঞ্চালকৰ আটকধুনীয়া নৱনিৰ্মিত কাৰ্যালয় গৃহ মুকলি কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। বিটিচিৰ উপমুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰীৰ উপস্থিতিত আনুষ্ঠানিকভাৱে ফিটা কাটি অত্যাধুনিক পঞ্চায়ত আৰু গ্ৰাম্যন্নোয়ন সঞ্চালকৰ নৱনিৰ্মিত কাৰ্যালয় গৃহ মুকলি কৰি প্ৰমোদ বড়োৱে কয় যে চৰকাৰে বৰ্তমান গ্ৰাম্যন্নোয়নত অধিক গুৰুত্ব দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰামোন্নোয়নৰ বাবে কেবাখনো আঁচনি ৰূপায়ন কৰিছে। কোকৰাঝাৰত আজি মুকলি কৰা পঞ্চায়ত আৰু গ্ৰাম্যন্নোয়নৰ সঞ্চালকৰ কাৰ্যালয়ত সকলো ধৰণৰ সুবিধা আছে ইয়াতে ২৪ ঘন্টাই কাম কৰাৰ বা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে। তদুপৰি নৱনিৰ্মিত কাৰ্যালয় গৃহত অত্যাধুনিক প্ৰেক্ষাগৃহত আছে যত চেমিনাৰ, আলোচনাচক্ৰ, অইন কাৰ্যসূচীৰ উপৰিও দল -সংগঠনে প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব পাৰিব বুলি সদৰি কৰিছে প্ৰমোদ বড়োৱে। এই কাৰ্যালয়টো মুকলি হোৱাৰ পিছত এক দীৰ্ঘদিনীয়া অভাৱ নাইকিয়া হ'ল বুলিও তেওঁ উল্লেখ কৰে। আজি মুকলি কৰাৰ পিছতেই কেৰালাৰ এটা সংস্থাই বিটিচিৰ অধীনৰ বিভিন্ন খণ্ড উন্নয়ন কাৰ্যালয়ৰ কৰ্মচাৰীসকলক গ্ৰাম্য উন্নয়ন সম্পৰ্কে প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰম্ভ কৰিছে।

### অনুজ্ঞাপত্র অবিহনেই অব্যাহত শিলৰ খনন, ক্ৰমাৎ সংকুচিত ঐতিহাসিক স্থান

# অস্তিত্বৰ সংকটত বনভোজস্থলী বৰশিল



**ই-সংবাদ, নাজিৰা, ৯ ডিচেম্বৰঃ** পুৰণি বছৰটোক বিদায় দি নতুন বছৰক আদৰাৰ সময় সমাগত হোৱাৰ লগে লগে সাজু কৰি তোলা হৈছে বনভোজস্থলীসমূহ। অসমৰ ভিন্ন প্ৰান্তৰৰ বনভোজস্থলীসমূহ চাফ-চিকুণ কৰি সুন্দৰ কৰি তোলা পৰিলক্ষিত হৈছে। বছৰৰ শেষত বা নতুন বছৰক আদৰাৰ উদ্দেশ্যে সকলোৱে নিজৰ পৰিয়ালৰ সৈতে, বন্ধুবৰ্গৰ সৈতে এসাঁজ খাবৰ বাবে বনভোজস্থলীলৈ গৈ মনোৰঞ্জনৰ মাজেৰে সময় অতিবাহিত কৰে। অসমৰ ভিন্ন প্ৰান্তত বনভোজস্থলী আছে। ইয়াৰে কিছু বনভোজস্থলী ঐতিহাসিক ঠাই হিচাপে চিহ্নিত কৰি মান্যতা প্ৰদান কৰি অহা হৈছে। ইয়াৰ মাজতে এনে ঐতিহাসিক বনভোজস্থলী হৈছে বৰশিল। অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত থকা এই ঐতিহাসিক বৰশিলৰ ইতিহাস যথেষ্ট গুৰুত্বপূৰ্ণ। আহোম স্বৰ্গদেউ গদাধৰ সিংহ আত্মগোপন কৰা ঠাই হিচাপে পৰিচিত হৈ আহিছে বৰশিল। এটা প্ৰকাণ্ড শিলৰ ওপৰত বহি লৈ স্বৰ্গদেউ গদাধৰ সিংহই দিখৌ নৈত মাছ ধৰিছিল বুলিও এক জনশ্ৰুতি আছে। বৃহৎ আকাৰৰ শিলৰ ওপৰত বৰ্তমান সময়তো এটা ভৰিৰ খোজ দৃশ্যমান হৈ আছে। কোনো কোনোৱে এই ভৰিৰ খোজটো স্বৰ্গদেউ গদাধৰ সিংহৰ ভৰিৰ খোজ বুলিয়ে ক'ব বিচাৰে। এই শিলৰ বাবেই ঠাইডোখৰৰ নাম বৰশিল হ'ল বুলি জনা যায়। কিন্তু এনে এক ঐতিহাসিক স্থানত কোনোধৰণৰ অনুজ্ঞাপত্ৰ নথকাকৈ যিদৰে শিল খনন কৰা হৈছে, তাক লৈ চিন্তিত হৈ পৰিছে সচেতন মহল। প্ৰতিবছৰে এই ঐতিহাসিক ঠাইডোখৰলৈ বিভিন্ন প্ৰান্তৰ পৰা লাখ লাখ বনভোজপ্ৰেমী আহি ঠাইডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ আহে যদিও বৰ্তমান সময়ত শিল খননৰ ফলত বৰশিলৰ ঠাইখিনি সংকুচিত হৈ পৰিছে। বনভোজ খোৱা ঠাইখিনিতে ফকলেও লগাই খান্দি পেলোৱাৰ বাবে বনভোজস্থলী সংকুচিত হৈছে। ইয়াৰ উপৰি বৰশিলৰ অবৈধ শিল খনন কাৰ্যকলাপত বহুকেইটা জাতীয় সংগঠনৰ নেতাও জড়িত হৈ থকাৰ অভিযোগ উত্থাপন হৈছে। জাতীয়তাবাদক লৈ সঘনাই ডাঙৰ ডাঙৰ ভাষণ দিয়া সংগঠনৰ নেতাই এইধৰণৰ অনৈতিক কাৰ্যকলাপত কিদৰে জড়িত হ'ব পাৰিছে তাক লৈও বহুজনৰ মনত প্ৰশ্ন উত্থাপন হৈছে! ঐতিহাসিক হিচাপে বৰশিলৰ বিশেষ গুৰুত্ব থকাৰ উপৰিও প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ বৰশিল। নগাপাহাৰৰ সৌন্দৰ্য, দিখৌ নৈৰ পানী, বিভিন্ন প্ৰকাৰৰ সৰু-বৰ শিলৰ সৌন্দৰ্যই সকলোকে আকৰ্ষিত কৰে। সেয়ে প্ৰতিদিনেই ইয়ালৈ বিভিন্ন অঞ্চলৰ পৰা প্ৰকৃতিপ্ৰেমীৰ আগমন ঘটে। প্ৰাকৃতিক সৌন্দৰ্য বৰ্তাই ৰখা, আহোম যুগৰ ইতিহাসক ধৰি ৰখা বৰশিল যাতে সদায় জিলিকি থাকে, কোনো দুষ্ট চক্ৰই যাতে বৰশিল খান্দি ধ্বংস কৰি নোৱাৰে তাৰ বাবে প্ৰশাসনে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ পোষকতা কৰিছে সচেতন মহলে।

# বিটিচিত ড০ বাছিৰাম বড়ো ডক্টৰেল ফেল'শ্বিপ এৱাৰ্ড, নিৰ্বাচিত প্ৰাৰ্থীয়ে লাভ কৰিব ১লাখ ৮০ হাজাৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৯ ডিচেম্বৰঃ** বিটিআৰৰ ছাত্ৰ-ছাত্ৰীক ডক্টৰেট ডিগ্ৰীৰ শিক্ষা গ্ৰহণৰ বাবে উৎসাহিত কৰা, বিটিআৰৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক গৱেষণা কৰিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰা, ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত মনোনিৱেশ কৰাত সহায় কৰিবলৈ আৰ্থিক বোজা লাঘৱ কৰা আদি উদ্দেশ্যৰে বড়ো জনগোষ্ঠীৰ প্ৰথমগৰাকী পিএইচডি ডিগ্ৰীধাৰী ড০ বাছিৰাম বড়োৰ সোঁৱৰণত বিটিচি পৰিষদীয় চৰকাৰে আৰম্ভ কৰিছে ড০ বাছিৰাম বড়ো ডক্টৰেল ফেল'শ্বিপ এৱাৰ্ড আঁচনি। এই আঁচনিৰ অধীনত ফেল'শ্বিপৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰীয়ে বছৰি ১ লাখ ৮০ হাজাৰ টকাকৈ লাভ কৰিব আৰু ফেল'শ্বিপ দুবছৰৰ বাবে হ'ব যদিও নিৰ্ধাৰিত সময়ৰ ভিতৰত ডক্টৰেট ডিগ্ৰী সম্পূৰ্ণ কৰিব নোৱাৰিলে পুনৰাই এবছৰ বৃদ্ধি কৰিব পাৰিব। এই মন্তব্য প্ৰকাশ কৰিছে বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই। আজি কোকৰাঝাৰৰ বড়োলেণ্ড অতিথিশালাত আয়োজিত এক সংবাদমেলত বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই উক্ত মন্তব্য কৰি কয় যে বিটিচিৰ শিক্ষা বিভাগৰ জ্ঞান সৌৰাং বিথাংখী আঁচনিৰ অধীনত ড০ বাছিৰাম বড়ো ডক্টৰেল ফেল'শ্বিপ এৱাৰ্ড আঁচনিখন শুভাৰম্ভ কৰা হৈছে আৰু ডক্টৰেল ফেল'শ্বিপ এৱাৰ্ড আঁচনিৰ বাবে প্ৰাৰ্থীসকলৰ পৰীক্ষণ প্ৰক্ৰিয়া আজিৰে পৰা আৰম্ভ হৈছে। তাৰবাবে উচ্চশিক্ষাৰ প্ৰতি আগ্ৰহী প্ৰাৰ্থীসকলৰ পৰা অনলাইন প্ৰক্ৰিয়াৰ জৰিয়তে আবেদন বিচৰা হৈছিল। ২০২৪ চনৰ ১৫ অক্টোবৰৰ পৰা ১০ নৱেম্বৰলৈ অনলাইন আবেদন গ্ৰহণ কৰা হৈছিল আৰু সৰ্বমুঠ ১১১ গৰাকী প্ৰাৰ্থীৰ পৰা আবেদন লাভ কৰা হৈছিল। আবেদনসমূহ পৰীক্ষণৰ অন্তত ৮৯ গৰাকী প্ৰাৰ্থী যোগ্য বুলি বিবেচিত হৈছে আৰু ৮৯ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪৫ গৰাকী প্ৰাৰ্থীৰ পৰীক্ষণ প্ৰক্ৰিয়া আজি সম্পন্ন হৈছে। কাইলৈ অৰ্থাৎ ১০ ডিচেম্বৰত অৱশিষ্ট প্ৰাৰ্থীসকলৰ পৰীক্ষণ কৰা হ'ব বুলি সংবাদমেলত বিটিচিৰ শিক্ষা সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই সদৰি কৰিছে। উল্লেখ্য যে সৰ্বমুঠ ৫০ গৰাকী যোগ্য প্ৰাৰ্থীক ড০ বাছিৰাম বড়ো ডক্টৰেল ফেল'শ্বিপ এৱাৰ্ড আঁচনিৰ অধীনত উচ্চশিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰা হ'ব। প্ৰতিগৰাকী প্ৰাৰ্থীক এবছৰত ১ লাখ ৮০ হেজাৰ টকা প্ৰদান কৰা হ'ব। উল্লেখ্য যে বিশেষ সমস্যাৰ বাবে যদি কোনো প্ৰাৰ্থীয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰত ডক্টৰেট ডিগ্ৰী সম্পূৰ্ণ কৰিব নোৱাৰে তেন্তে বৰ্ধিত সময়ৰ বাবেও বিবেচনা কৰা হ'ব বুলি মন্তব্য কৰিছে বিটিচিৰ শিক্ষা বিভাগৰ সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা ২০২৪ চনৰ ডিচেম্বৰৰ ভিতৰতে বিভাগীয় ৱেবছাইটত প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিছে জগদীশ প্ৰসাদ ব্ৰহ্মই। প্ৰণিধানযোগ্য যে ১৯৭৯ চনত বাশীৰাম বড়োই ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেওঁ বড়ো জনগোষ্ঠীৰ পৰা প্ৰথমগৰাকী পিএইচডি প্ৰাপক। নলবাৰীৰ ৰঙাফলি-ধমধমাত জন্মগ্ৰহণ কৰা বাশীৰাম বড়ো টংলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ আৰু পিছলৈ টংলা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল বড়োৱে। ওদালগুৰি জিলাত শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ড০ বাশীৰাম বড়োৰ সোঁৱৰণত বিটিচি চৰকাৰে এইবাৰৰ পৰা আৰম্ভ কৰা ফেল'শ্বিপ এৱাৰ্ড আঁচনিয়ে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব বুলি ধাৰণা কৰা হৈছে।

# কচুৱাত উলেমা ঐক্যমঞ্চৰ অধিৱেশন



**ই-সংবাদ, কামপুৰ, ৯ ডিচেম্বৰঃ** নগাঁও জিলাৰ কচুৱাত ব্যতিক্ৰমী ৰূপত উলেমা ঐক্যমঞ্চৰ প্ৰথম বাৰ্ষিক অধিৱেশন সম্পন্ন হৈ যায়। ডঃ আবুল কালামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মুফতি হান্নান শ্বেখে। গাঁও প্ৰধান খাইৰুল ইছলামে আদৰণি পৰ্ব পৰিচালনা কৰা গাম্ভীৰ্যপূৰ্ণ মুকলি সভাত জনীয়া সমষ্টিৰ বিধায়ক ডঃ ৰফিকুল ইছলামে হজৰত মোহাম্মদ (ছ:), কোৰান শ্বৰিফ আৰু ইছলামৰ আদৰ্শৰ বিষয়ে বক্তৃতা দাঙি ধৰি সমাজৰ পৰা মদ, জুৱা, ভাং, ড্ৰাগছ, বাল্য বিবাহ, শিশু শ্ৰমিক, সুদখোৰক বৰ্জন কৰি প্ৰতিজন সন্তানক শিক্ষিত কৰি তুলিবলৈ আহ্বান জনায়। ইছলামে অইন ধৰ্মক সন্মান কৰা শিকাইছে বুলি কৈ পবিত্ৰ কোৰানৰ মহান বাণীসমূ আলোকপাত কৰি আলিম উলেমাই পথভ্ৰষ্ট লোকক সত্যৰ সন্ধান দি সমাজখনক আগুৱাই নিবলৈ ডঃ ৰফিকুল ইছলামে আহ্বান জনায়। ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰসংগ টানি অসম চৰকাৰক সমালোচনাৰে থকা-সৰকা কৰি শংকৰ-আজানৰ ৰাজ্যত সাম্প্ৰদায়িক বিষবাষ্প ঢালি দিয়া লোকক ৰেহাই দিয়া নহ'ব বুলি কয় কৃষক মুক্তিৰ সভাপতি ৰাজু বৰা আৰু লাচিত সেনাৰ সম্পাদক প্ৰকাশ বৰুৱাই। সভাত উলেমা ঐক্যমঞ্চৰ কৰণীয়ৰ ওপৰত সমাজ সেৱক নৃপুৰ বৰ্ধন আৰু পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছইদুৰ ৰহমানে বক্তব্য ৰাখে। জনপূৰ্ণ সভাত বিশিষ্ট ধৰ্মগুৰু ছামচুদ্দিন বিহাৰী চাহাবেও ধৰ্ম আৰু সমাজ ব্যৱস্থাৰ বিষয়ে বক্তব্য ৰাখে। মুকলি সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ লিয়াকত আলী, আমিৰ হামজা ভূঞা, ইনামুল হুদা, শিক্ষাবিদ আলী আকবৰ, বাহাৰুল ইছলাম, ইনামুল হুদা, মুফতি আব্দুল কৰিম, সমাজ সেৱক ইছলাম কাজী, আব্দুল জব্বাৰ, বিআৰচি ৰতন দাস, চিআৰচিচি মতিবুৰ ৰহমান, হবিবুৰ ৰহমান, আবুল কালাম আজাদ, মৌলানা মতিউৰ ৰহমানকে আদিকৰি বহু বিশিষ্ট লোক উপস্থিত থাকে। ইপিনে পুৱাৰ ভাগত পতাকা উত্তোলনৰ পিছতেই মদ, জুৱা, তীৰ, ড্ৰাগছ, সুদখোৰ আৰু বাল্য বিবাহ বন্ধৰ নানান শ্লোগান দি দুই শতাধিক আলিম উলেমাই কচুৱা-তিনিআলি গড়কাপ্তানী পথত এক শোভাযাত্ৰা উলিয়ায়।

## প্ৰাক্তন মন্ত্ৰী যতীন মালীৰ চৰকাৰলৈ কৃতজ্ঞতা জ্ঞাপন

# পলাশবাৰী-শুৱালকুছি দলঙৰ পলাশবাৰীতো ভাৰ্চুৱেলী ভূমিপূজন

**ই-সংবাদ, মিৰ্জা, ৯ ডিচেম্বৰঃ** ৰাজ্যৰ পথ-যোগাযোগৰ উন্নতিৰ হকে এক নতুন মাত্ৰা সংযোজনেৰে কালি পলাশবাৰী-শুৱালকুছি দলঙৰ শুৱালকুছিত নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰা হয়। আনহাতে, পলাশবাৰীতো কালি এই দলঙখনৰ নিৰ্মাণকাৰ্যৰ ভাৰ্চুৱেলী ভূমিপূজন কৰা হয়। শুৱালকুছিত আয়োজিত ভূমিপূজন অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। ৰাজ্যৰ পথ-যোগাযোগৰ আন্তঃগাঁথনি সবলীকৰণৰ দিশত এক ঐতিহাসিক দিন বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি দলঙৰ নিৰ্মাণকাৰ্যৰ বাবে ভূমিপূজন সম্পন্ন কৰা হয় বুলি কয়। ৩১৯৭.২০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া এই দলংখন ২০২৮ চনৰ জুন মাহত সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। এই দলংখন ৩.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ হোৱাৰ লগতে পলাশবাৰীৰ দিশত ৫.৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিশৰীয়া পথ থাকিব আৰু শুৱালকুছিৰ দিশত ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হ'ব। এই শুৱালকুছি-পলাশবাৰী সংযোগী দলঙৰ ভূমিপূজন তথা নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ বাবে অসমৰ প্ৰাক্তন মন্ত্ৰী যতীন মালীয়ে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে চৰকাৰলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। পলাশবাৰীতো এক উৎসাহৰ সৃষ্টি হয় বুলি তেওঁ কয়। এই দলঙখনে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ আৰু দক্ষিণ পাৰৰ যোগাযোগৰ ক্ষেত্ৰত বিশেষকৈ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, ৰাইজৰ যোগাযোগৰ ক্ষেত্ৰত এক বলিষ্ঠ প্ৰদক্ষেপ গ্ৰহণ কৰিব বুলি যতীন মালীয়ে আশা প্ৰকাশ কৰে।




**বিগত ১৯টা মাহে জ্বলি থকা মণিপুৰক লৈ যন্তৰ-মন্তৰত মণিপুৰৰ I.N.D.I.A. ব্লকে সাব্যস্ত কৰে প্ৰতিবাদ**

# ১৪ডিচেম্বৰত বৰপেটাত লোক আদালত

**ই-সংবাদ, বৰপেটা, ৯ ডিচেম্বৰঃ** দেশৰ বাকী অংশৰ সৈতে সংগতি ৰাখি বৰপেটা জিলাতো অহা ১৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশত আয়োজন কৰা এই অনুষ্ঠানৰ লক্ষ্য হৈছে বিচাৰাধীন গোচৰসমূহ ক্ষীপ্ৰতাৰে নিস্পতি কৰা আৰু বিবাদৰ সুদক্ষ সমাধানৰ ব্যৱস্থা কৰা। এই ৰাষ্ট্ৰীয় লোক আদলতখন বৰপেটা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদ, বৰপেটা পাৰিবাৰিক আদালত চৌহদ, মটৰ দুৰ্ঘটনা দাবী নিস্পতি ন্যায়াধিকৰণ, বৰপেটা আৰু বৰপেটা মুখ্য ন্যায়িক দণ্ডাধীশৰ অধীনৰ সকলো আদালত তথা কাৰ্যালয় চৌহদত অনুষ্ঠিত কৰা হ'ব। লোক আদালাতত বাকী থকা ঋণৰ সৈতে জড়িত গোচৰকে ধৰি বিভিন্ন গোচৰৰ সমাধান, বিএছএনএল, এপিডিচিএল আৰু বেংকৰ পৰা বিদ্যুৎ আৰু টেলিফোন সেৱা বিল সম্পৰ্কীয় অভিযোগসমূহ নিস্পতিকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। জিলা আইন সেৱা প্ৰাধিকৰণে জনসাধাৰণক উক্ত লোক আদালতত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি এই অনুষ্ঠানটো সফল কৰি তোলাত সহায় কৰিবলৈ আহ্বান জনাইছে।

# চৰাইদেউত কৃষকক পঞ্জীয়নৰ আহ্বান কৃষি বিভাগৰ

**ই-সংবাদ, সোণাৰি, ৯ ডিচেম্বৰঃ** দেশৰ আন আন ৰাজ্যসমূহৰ লগতে অসম চৰকাৰৰ কৃষি বিভাগে ৰাজহ বিভাগৰ সহযোগত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। চৰাইদেউ জিলা কৃষি বিভাগেও জিলা প্ৰশাসন তথা ৰাজহ বিভাগৰ সহযোগত এই প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ আগবাঢ়িছে। অহা ১৫ ডিচেম্বৰলৈকে চলিবলগীয়া প্ৰথম পৰ্যায়ৰ কৃষক পঞ্জীয়ন কাৰ্যসূচী জিলাখনৰ আটাইকেইটা কৃষি চক্ৰ আৰু গাঁও পঞ্চায়ত সামৰি অনুষ্ঠিত হ'ব। জিলাখনত প্ৰধানমন্ত্ৰী কিষান সন্মান নিধি আঁচনি (PM-KISAN)ৰ অধীনত উপকৃত কৃষকসকলৰ উপৰি যিসকল কৃষকৰ নিজৰ নামত খেতি মাটিৰ শেহতীয়া জমাবন্দী আছে, তেওঁলোক কৃষক পঞ্জীয়নৰ বাবে যোগ্য বিবেচিত হ'ব। মনত ৰাখিব, পঞ্জীয়ন কৰিবলৈ আহোতে আপোনালোকে নিজৰ আধাৰ কাৰ্ড, আধাৰৰ সৈতে সংযোগ হৈ থকা ফোন নম্বৰ আৰু নিজৰ নাম থকা মাটিৰ শেহতীয়া জমাবন্দী কপি লগত লৈ অহাটো বাধ্যতামূলক। জিলা কৃষি বিভাগৰ উদ্যোগত আয়োজন কৰিবলৈ লোৱা এই কৃষক পঞ্জীয়ন প্ৰক্ৰিয়াত সকলোকে অংশ ল'বলৈ জিলা কৃষি বিভাগৰ তৰফৰ পৰা আহ্বান জনাইছে।

# শিৱসাগৰৰ বৰপুখুৰীত উদ্ধাৰ মৃতদেহ, চাঞ্চল্য

**ই-সংবাদ, শিৱসাগৰ, ৯ ডিচেম্বৰঃ** আজি পুৱাই শিৱসাগৰ নগৰৰ ঐতিহাসিক বৰপুখুৰীত এটা মৃতদেহ উদ্ধাৰ হয়। মৃতদেহ উদ্ধাৰৰ খবৰে সমগ্ৰ শিৱসাগৰতেই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। উল্লেখ্য যে শিৱসাগৰ নগৰৰ মাজমজিয়াৰ ভি আই পি পথৰ কাষতে লাগি থকা ঐতিহাসিক বৰপুখুৰীত আজি পুৱাতেই এটা মৃতদেহ ওপঙি থকা অৱস্থাত প্ৰাতঃ ভ্ৰমণলৈ যোৱা একাংশ লোকে প্ৰত্যক্ষ কৰে। মৃতদেহ ওপঙি থকাৰ খবৰ লাভ কৰি শিৱসাগৰ সদৰ থানাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো নিৰীক্ষণ কৰে। পিছত দণ্ডাধীশ উপস্থিত হোৱাত মৃতদেহটো আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। স্মৰ্তব্য যে, মৃতদেহটো উদ্ধাৰ হোৱা স্থানৰ পৰা শিৱসাগৰ জিলা আয়ুক্তৰ বাসভৱন প্ৰায় ৫০ মিটাৰ হোৱাৰ লগতে শিৱসাগৰ পৰ্যটন বিভাগৰ কাৰ্যালয়ৰ পৰা প্ৰায় ১০ মিটাৰ দূৰত্ব হ'ব। মৃতদেহটো উদ্ধাৰ হোৱা স্থানৰ পৰা প্ৰায় ডেৰশ মিটাৰ দূৰত্বত শিৱসাগৰ আৱৰ্ত ভৱন আৰু প্ৰায় এক কিলোমিটাৰ নিলগত আছে চি আৰ পি এফৰ কেম্প। প্ৰথমাৱস্থাত লোকজনক হত্যা কৰি কোনোবাই পুখুৰীত পেলাই থৈ যায় বুলি সন্দেহ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত মৃতদেহটো উদ্ধাৰৰ পিছত এয়া এক আত্মহত্যাৰ ঘটনা বুলি পোহৰলৈ আহিছে। কিন্তু মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছতহে প্ৰকৃত সত্য উদঘাটন হ'ব। জানিব পৰা মতে, উদ্ধাৰ হোৱা মৃতদেহটো শিৱসাগৰ নাজিৰাৰ মাৰ্কেট ৰোডৰ চিন্তু পালৰ। পাৱাৰ গ্ৰীডৰ কৰ্মচাৰী চিন্তু পাল নিৰুদ্দেশ হৈ আছিল। চিন্তু পালৰ মৃতদেহটো উদ্ধাৰ কৰাৰ পিছত তেওঁৰ জেপত উদ্ধাৰ হোৱা এক হাতে লিখা টোকাই প্ৰমাণ কৰিছে মৃতদেহটো চিন্তু পালৰ বুলি। মৃত্যুৰ পূৰ্বে তেওঁ নিজৰ নাম, ঘৰৰ ঠিকনা সম্পূৰ্ণ লিখি নিজৰ জেপত ৰাখিছিল।



খেল যিয়েই নহওঁক, সকলো পাকৈত ড০ হিমন্ত বিশ্ব শৰ্মা! সৰুপথাৰ ইনড'ৰ ষ্টেডিয়াম উদ্বোধন কৰি বেডমিন্টন খেলিলে মুখ্যমন্ত্ৰীয়ে

## ৭৭ টা বছৰৰ বহু প্ৰতীক্ষাৰ অন্ত, বিধায়কক প্ৰশংসা

# বৰপানী নদীৰ ওপৰত একেদিনাই তিনিখনকৈ দলং নিৰ্মাণৰ আধাৰশিলা

**ই-সংবাদ, কামপুৰ, ৯ ডিচেম্বৰঃ** বিগত ৭৭ টা বছৰৰ বহু প্ৰতীক্ষাৰ অন্ত পেলাই আজি ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে কচুৱাৰ বৰপানী নদীৰ শিঙিমাৰী-জুৰিৰপাৰ পাৰঘাট আৰু ৰমনিপথাৰ পাৰঘাট আৰু কাজিৰঙাত তিনিখনকৈ পকী দলঙৰ আধাৰশিলা স্থাপন কৰে। দেশে স্বাধীনতা পোৱাৰ পিছৰ পৰাই বৃহত্তৰ শিঙিমাৰী, জুৰিৰপাৰ, লংজাপ, পদুমণি, পণ্ডিটঘাট মাধৱপাৰা, ৰমনিপথাৰ, পমিলা,শিমলুগুৰি, বালিগাঁও, পুঠিমাৰী, জুকটাকে আদিকৰি অৰ্ধ শতাধিক গাঁৱৰ ৰাইজৰ বহু দিনীয়া দাবীৰ প্ৰতি সন্মান জনাই আজি ৰহা সমষ্টিৰ বিধায়কে শ শ লোকৰ উপস্থিতিত ৰঙা ফিতা কাটি তিনিখনকৈ দলঙৰ আধাৰশিলা স্থাপন কৰে। তিনিওখন দলঙৰ আধাৰশিলা স্থাপন কৰি বিধায়কগৰাকী আৱেগিক হৈ পৰে। মই আপোনালোকৰ দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত সৰ্বকালৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰীকাৰ অৱদান আছে বুলি বিধায়কগৰাকীয়ে উল্লেখ কৰি অনাগত দিনত বৰপানী নদীৰ ওপৰত আৰু চাৰিখন পকী দলঙৰ লগতে সংখ্যালঘু এলেকাৰ এশ শতাংশ ৰাস্তা-পদুলিৰ ব্যাপক উন্নয়ন কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। বৰপানী নদীৰ ওপৰত তিনিখনকৈ দলং নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ আজিৰ দিনটো এক ঐতিসাহিক দিন হিচাপে চিহ্নিত হৈ থাকিব বুলি স্থানীয় বহু লোকে মন্তব্য কৰে। আজিৰ দিনটোত বিধায়কগৰাকীক সংগ দিয়ে লোক নিৰ্মাণ বিভাগৰ এছ ডি অ' আব্দুৰ ৰৌফ, বিজেপি দলৰ জ্যেষ্ঠ নেতা সুৱৰ্ণ সিং, দীপক তামুলী, সঞ্জীৱ দেউৰী, হাবিজুদ্দিন, ইমদাদুল আলম, ফৰিদ উদ্দিন তালুকদাৰ, জহুৰ আলী, মতিউৰ ৰহমান, মনোজ বৰা, লক্ষ্যধৰ মেধি, নুৰ উদ্দিন, সাহাজ উদ্দিন, জুঠন দেৱনাথ, সুভম দেৱনাথ, মৃণাল বৰা, মোহন বৰা আৰু ওমৰ আলীয়ে।

# আগমনিত দুৰ্ঘটনাত হতাহত দুই

**ই-সংবাদ, গোলকগঞ্জ, ৯ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত লোহাৰপুলত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ বিপৰীতে এজন লোক গুৰুতৰভাৱে হয়। জানিব পৰা মতে, পশ্চিমবংগৰ তুফানগঞ্জৰ নাগুৰহাট সেনপাৰাৰ দুজন যুৱক বিয়াৰ নিমন্ত্ৰণ জনাবলৈ আগমনিৰ সেৱনগৰ গাঁৱত আহিছিল। WB-64 AD-6298 নম্বৰৰ পালছাৰ বাইকখনেৰে নিশা ঘৰলৈ উভতিবৰ সময়ত ঘন কুঁৱলীৰ বাবে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লোহাৰপুলৰ ৰেলিঙত প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত দুয়ো ছিটিকি গৈ ৰেলিঙত খুন্দা মৰাত গুৰুতৰভাৱে আহত হয়। উপস্থিত ৰাইজে ততালিকে দুয়োকে আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰ লৈ নিয়ে। অৱস্থা সংকটজনক হোৱাত দুয়োকে কাষৰীয়া পশ্চিমবংগৰ কোচবিহাৰ চিকিৎসালয় লৈ প্ৰেৰণ কৰা হয়। প্ৰচণ্ড ৰক্ত ক্ষৰণ হোৱা বাবে আধাবাটতে সুভংকৰ সেনৰ মৃত্যু হয়। আনহাতে, হৃষী কুমাৰ সেনক চিকিৎসালয়ত ভৰ্তি কৰা হয়।

# বুৰঞ্জীবিদ, অধ্যাপক আব্দুৰ ৰহমান স্মাৰক বক্তৃতা অনুষ্ঠান

**ই-সংবাদ, মোৰাঝাৰ, ৯ ডিচেম্বৰঃ** হোজাইৰ নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত হোজাই জিলা সাহিত্য সভাৰ উদ্যোগত, হোজাই জিলা উচ্চতৰ মাধ্যমিক অধ্যক্ষ মঞ্চ, হোজাই জিলা কৰ্মচাৰী পৰিষদ, হোজাই জিলা অসম উন্নতি সভাৰ সহযোগত নীলবাগান শাখা সাহিত্য সভা আৰু প্ৰয়াত আব্দুৰ ৰহমানৰ পৰিয়ালৰ আতিথ্যত প্ৰয়াত শিক্ষাবিদ, বুৰঞ্জীবিদ, অধ্যাপক আব্দুৰ ৰহমান স্মাৰক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত 'দুহেজাৰ চাৰিশ বছৰীয়া লিপিৰ ইতিহাসেৰে সমৃদ্ধ ধ্ৰুপদী অসমীয়া ভাষা' শীৰ্ষক বক্তৃতা অনুষ্ঠান আজি অনুষ্ঠিত হয়। শিক্ষাবিদ, বুৰঞ্জীবিদ অধ্যাপক প্ৰয়াত আব্দুৰ ৰহমান স্মাৰক বক্তৃতা অনুষ্ঠানটিত বক্তা হিচাপে উপস্থিত থাকে এপিগ্ৰাফিকেল ছ'চাইটি অৱ ইণ্ডিয়া, কলকাতাৰ সদস্য তথা লিপি বিশেষজ্ঞ ভাস্কৰ বৰদলৈ, হোজাই জিলা সাহিত্য সভাৰ সভাপতি ড০ ইন্দ্ৰজিৎ বেজবৰুৱা, সাহিত্যিক মাঘিৰাম শইকীয়া আদি। নীলবাগান আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা বক্তৃতা অনুষ্ঠানৰ পূৰ্বে প্ৰয়াত শিক্ষাবিদ, বুৰঞ্জীবিদ আব্দুৰ ৰহমানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানটিত বিশিষ্ট ব্যক্তি কমল দত্ত, হাইদৰ হুছেইন, ড০ হাচিনুচ চুলতান, বিৰাজ কুমাৰ বৰা, আব্দুল হাচিব, বুৰঞ্জীবিদ প্ৰয়াত আব্দুৰ ৰহমানৰ সহধৰ্মিনী, পংকজ হাজৰিকা, আব্দুল ৰৱ, ৰাজেশ ডেকা, মোৰাকিব আলী, নেৱাজ আহমেদ, ফয়জুল হক, আইনুল হক চৌধুৰী, বাচিত আলম চৌধুৰী, ছাদিকুজ জামান, নাজিম উদ্দিন, আব্দুল বাচিতকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বক্তৃতা অনুষ্ঠানটিত সহযোগী সংগঠন হোজাই জিলা উচ্চতৰ মাধ্যমিক অধ্যক্ষ মঞ্চ, হোজাই জিলা কৰ্মচাৰী পৰিষদ, অসম উন্নতি সভা হোজাই জিলা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# ৩১ডিচেম্বৰৰ ভিতৰত যান-বাহনৰ নথিপত্ৰ পৰীক্ষা আৰু নৱীকৰণ কৰক

**ই-সংবাদ, গুৱাহাটী, ৯ ডিচেম্বৰঃ** চলিত বৰ্ষৰ অন্ত পৰিবলৈ মাজত আৰু মাত্ৰ ২৬টা দিন । এটা নতুন বছৰৰ সন্মুখত এই দিনকেইটা সকলোৰে বাবে ব্যস্ততাৰে ভৰা। বিভিন্ন উৎসৱ-অনুষ্ঠানৰ উপৰি এয়া বনভোজৰ আনন্দ উপভোগৰ সময়। সেয়ে এইসময়ত সকলো শ্ৰেণীৰ লোকৰ ক্ষেত্ৰতে যানবাহন ব্যৱহাৰো অধিক হয় । ইফালে জাৰকালিৰ সময়চোৱাত নিশাৰ ভাগত কুঁৱলীৰ ডাঠ আচ্ছাদন পৰিবলৈ ধৰাত বাহন চলোৱাটো কঠিন, কষ্টকৰ হৈ পৰে । ফলত বছৰটোৰ এনেকুৱা সময়তে পথ-দুৰ্ঘটনা আৰু দুৰ্ঘটনাত আহত-নিহতৰ সংখ্যায়ো সাধাৰণতে বৃদ্ধি পায়। সেয়ে বাহনৰ হৰ্ণ, চকা, লাইট আদিৰ উপৰি অন্যান্য যন্ত্ৰপাতি পৰীক্ষা কৰাৰ লগতে বাহনৰ নথিপত্ৰৰ পৰীক্ষা আৰু নৱীকৰণ কৰাটো অত্যন্ত প্ৰয়োজন। যান্ত্ৰিক বিজুটি থাকিলে বাহন এখন চলোৱাটো যিদৰে অসম্ভৱ, সেইদৰে সঠিক নথিপত্ৰ নাথাকিলে বাহনখন নিৰ্ভয় আৰু সুৰক্ষিতভাৱে চলোৱা অসম্ভৱ। বাহনৰ এই নথিপত্ৰসমূহ আচলতে মানুহৰ জীৱন কুণ্ডলীৰ দৰে। সেয়ে এটা নতুন বছৰৰ সন্মুখত অৰ্থাৎ আগন্তুক ৩১ডিচেম্বৰৰ ভিতৰত আপোনাৰ যানবাহনৰ নথিপত্ৰসমূহ পৰীক্ষা আৰু নৱীকৰণ কৰক । যদিহে আপুনি সময়মতে যানবাহনৰ কৰ আদায় দিয়া নাই তেন্তে বকেয়াসহ যাৱতীয় সকলো কৰ অনতিপলমে আদায় দিয়ক। এই বিনম্ৰ আহ্বান অসম চৰকাৰৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া আৰু কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দায়িত্ববাহী জিলা পৰিবহণ বিষয়া গৌতম দাসৰ । তেওঁ কয় যে নতুন-পুৰণি দুটা বছৰৰ এই ব্যস্ততাময় সময় আৰু নিশা হলেই কুঁৱলীৰ ডাঠ আচ্ছাদনে সন্মুখৰ পথ মনিব নোৱাৰা হোৱা বিপজ্জনকভাৱে অৱস্থাত কোনো পথ-দুৰ্ঘটনাই যাতে কাৰো জীৱনলৈকে বিষাদ কঢ়িয়াই আনিব নোৱাৰে, বৰঞ্চ পথত সকলোৰে যাতে সুৰক্ষিতভাৱে যাতায়াত কৰিব পাৰে তাৰবাবে বিভিন্ন বিভাগসমূহৰ সহযোগত পথ-সুৰক্ষা বজাই ৰাখিবলৈ পৰিবহণ বিভাগে পাৰ্যমানে প্ৰচেষ্টা চলাইছে । ব্যক্তিগত বাহনকে ধৰি বিশেষকৈ বাণিজ্যিক তথা বহুজাতিক উদ্যোগ-প্ৰতিষ্ঠান, নিৰ্মাণ সংস্থা আদিত ব্যৱহৃত সঠিক নথিপত্ৰ নোহোৱা কোনো বাহনে যাতে পথ-সুৰক্ষা বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে সতৰ্ক দৃষ্টি ৰাখিছে পৰিবহণ বিভাগে। এইক্ষেত্ৰত পৰিবহণৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৰাকীয়ে অতি বিনম্ৰতাৰে আহ্বান জনায় কয় যে, বাহনৰ গৰাকীয়ে অনতিপলমে নিজৰ ঘৰতে বহিয়ে অনলাইনযোগে বাহনৰ নথি-পত্ৰসমূহ সঠিক কৰি লওক ।

## গৰীয়া মৰিয়া যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সম্পাদকৰ এজাহাৰ দাখিল

# মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে কোৱাৰ বাবে সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে এজাহাৰ

**ই-সংবাদ, হাজো, ৯ ডিচেম্বৰঃ** হাজো আৰক্ষী থানাত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে আজি এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰে সদৌ গৰীয়া মৰীয়া যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক মইনুল হকে। উল্লেখ্য যে, সংবাদ মাধ্যমৰ সন্মুখত সাংসদ হুছেইনে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে অজ্ঞাত অপৰাধজনিত এটি ফাইল দেখুৱাই অসমৰ ৰাইজক বিভ্ৰান্ত কৰা বুলি অভিযোগ তুলিছে গৰীয়া মৰিয়া যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সম্পাদকগৰাকীয়ে। আনহাতে, ৰকিবুল হুছেইনে নিজৰ হাতত মজুত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অপৰাধ জড়িত তথ্য অতিশীঘ্ৰে সংশ্লিষ্ট সংস্থাক অৰ্পণ কৰাৰ দাবী জনাইছে মইনুল হকে। সংবাদ মাধ্যমৰ সন্মুখত এই কথা কৈ ৰকিবুল হুছেইনে সস্তীয়া ৰাজনীতি কৰিব বিচাৰিছে বুলিও অভিযোগ গৰীয়া মৰীয়া যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদকগৰাকীৰ। হুছেইনে তথ্য লুকুৱাই ডাঙৰ অপৰাধ কৰিছে বুলি হাজো আৰক্ষী থানাত সাংসদগৰাকীৰ বিৰুদ্ধে আজি এজাহাৰ দাখিল কৰি তদন্তৰ দাবী জনাইছে প্ৰাক্তন সম্পাদকগৰাকীয়ে।

# তামুলপুৰত সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ বিশাল প্ৰতিবাদী সমদল

**ই-সংবাদ, তামুলপুৰ, ৯ ডিচেম্বৰঃ** ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সনাতনী হিন্দুসকলৰ ওপৰত হৈ থকা বৰ্বৰ আক্ৰমণ আৰু অমানৱীয় অত্যাচাৰৰ বিৰুদ্ধে আজি তামুলপুৰ জিলাৰ কুমাৰীকাটাত সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ তামুলপুৰ জিলাৰ উদ্যোগত বিশাল প্ৰতিবাদী সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰতিবাদকাৰীসকলে ইউনুছ চৰকাৰ হায় হায়, বাংলাদেশ চৰকাৰ হায় হায়, চিন্ময় কৃষ্ণদাস ব্ৰহ্মচাৰীক মুক্তি দিয়ক, ভাৰত বিৰোধী মৌলবাদী শক্তি হুচিয়াৰ, বাংলাদেশ দ্বি-খণ্ডিত কৰি হিন্দুৰ বাবে পৃথক ৰাষ্ট্ৰ গঠন কৰক, সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন জিন্দাবাদ আদি শ্ল'গানেৰে কুমাৰীকাটা উত্তাল কৰি তোলে। সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ তামুলপুৰ জিলা সমিতিৰ উদ্যোগত আৰু স্থানীয় বিভিন্ন দল-সংগঠনৰ সহযোগত উলিওৱা আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় সভাপতি হৰেন্দ্ৰ দাস, কাৰ্যকৰী সভাপতি ব্ৰজগোপাল সৰকাৰ, সাধাৰণ সম্পাদক শুভা মজুমদাৰ, তামুলপুৰ জিলা সমিতিৰ সভাপতি বিমল দাস, সাধাৰণ সম্পাদক অমৰজিৎ দেৱনাথ, বিটিআৰ ক্ষত্ৰীয় সমিতিৰ অধীনৰ সকলো জিলা সমিতিৰ সভাপতি-সম্পাদকসকলৰ লগতে স্থানীয় সমাজকৰ্মী সুজন পালকে ধৰি বিভিন্ন দল-সংগঠনৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভা

**ই-সংবাদ, পুৰণিগুদাম, ৯ ডিচেম্বৰঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতিৰ এখন বিশেষ প্ৰতিনিধি সভা যোৱা ৮ ডিচেম্বৰত অনুষ্ঠিত হয়। পুৰণিগুদাম আঞ্চলিক সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি উক্ত সভাখন আয়োজন কৰা হয়। পুৰণিগুদাম গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত সভাত আগন্তুক দুবছৰৰ বাবে প্ৰাণকৃষ্ণ ডেকাক সভাপতি আৰু মাহমুদোৰ ৰহমানক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰি এখন পূৰ্ণাংগ ৩৩ জনীয়া সমিতি গঠন কৰা হয়। উক্ত প্ৰতিনিধি সভাত নগাঁও জিলা সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়া,উপ-সভাপতি হৰি ৰাজখোৱা,যুটীয়া সম্পাদক দিব্যজিত হাজৰিকা আৰু প্ৰাৰ্থপ্ৰতিম বৈৰাগী, প্ৰচাৰ সম্পাদক চন্দন ফুকন আৰু দৰ্শন কাকতি, সাংগঠনিক সম্পাদক আব্দুল আজিজ, প্ৰাক্তন সভাপতি ওৱাছিফ আলমৰ লগতে আঞ্চলিক সমিতিৰ অন্তৰ্গতসতীৰ্থসকল উপস্থিত থাকে।

# তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, তামুলপুৰ, ৯ ডিচেম্বৰঃ** অহা ২১ আৰু ২২ ডিচেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুস্থিত হ'ব তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন। তামুলপুৰ জিলাৰ নতুন হাউলী গাঁৱৰ ৰাইজৰ আতিথ্যত অনুষ্ঠিত হ'বলগীয়া তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। আজি পুৱা এক মাংগলিক পৰিৱেশত লাইখুঁটা স্থাপন কৰে প্ৰাক্তন ছাত্ৰ নেতা তথা তামুলপুৰ জিলা জনজাতি উন্নয়ন পৰিষদৰ বোৰ্ডৰ অধ্যক্ষ মহেন্দ্ৰ ৰাভাই। লাইখুঁটা স্থাপন অনুষ্ঠানত তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভা, ৰাভা উন্নয়ন পৰিষদ দাবী সমিতিৰ সভাপতি লক্ষী ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি দীপাংকৰ ৰাভা, ৰাভা গণ মঞ্চৰ সম্পাদক ছবিন ৰাভা, তামুলপুৰ জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি সুৰেন ৰাভা আৰু নতুন হাউলী গাঁওবাসী উপস্থিত থাকে।

‘মানুহে মানুহৰ বাবে, দৰং, অসমে’ আগবঢ়ালে ৪০ হাজাৰ টকা

# জটিল ৰোগত আক্ৰান্ত ছিপাঝাৰৰ দ্বাদশ শ্ৰেণীৰ মেধাবী ছাত্ৰী নয়না বৰাৰ্লৈ সহায়ৰ হাত

**ই-সংবাদ, ছিপাঝাৰ, ৯ ডিচেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘাৰোৱা সোণাপুৰ গাঁৱৰ মেধাবী ছাত্ৰী নয়না বৰা বৰ্তমান জটিল ৰোগত আক্ৰান্ত । নয়নাৰ পিতৃ মদন বৰাই কৰে দিন হাজিৰা, মাতৃ গৃহিণী। অতি সাধাৰণভাৱে জীৱন-যাপন কৰা মদন বৰাৰ পাঁচজনীয়া পৰিয়াললৈ নয়না বৰাৰ জটিল ৰোগে নমাই আনিছে অমানিশা। হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিশেষ কৃতিত্বৰে উত্তীৰ্ণ হোৱাৰ পিছত ছিপাঝাৰৰ শংকৰ আজান জেনিথ একাডেমীৰ কৰ্তৃপক্ষই নয়নাক সম্পূৰ্ণ বিনামূলীয়াকৈ পঢ়োৱাৰ দায়িত্ব লৈছিল। কিন্তু দাতাই দিলেও যেন বিধাতাই নিদিয়ে। নয়নাৰ পঢ়া-শুনা সুন্দৰভাৱে আগবাঢ়িছিল যদিও ইয়াৰ মাজতে হাড়ত হোৱা কৰ্কট ৰোগে তেওঁক কৰি তুলিছে ভাৰাক্ৰান্ত। উল্লেখ্য যে, চাংসাৰিস্থিত এইমছ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট প্ৰতিষ্ঠান আদিত নয়নাক চিকিৎসা কৰোৱাই বিশেষ সফল হ'ব পৰা নাই দুৰ্ভগীয়া পৰিয়ালটো। যাৰ বাবে ঘৰৰ ডাঙৰ ছোৱালীজনীৰ জটিল শাৰীৰিক অৱস্থাই পৰিয়ালটোৰ নিদ্ৰাহৰণ কৰি আহিছে। চিকিৎসাৰ বাবে সাহায্য আৰু দিহা বিচাৰি বহু ঠাইত ভ্ৰমি ফুৰিছে পিতৃ মদন বৰা। এনে এক সময়ত পৰিয়ালটোক অলপ সহায়, অলপ সাহস দিয়াৰ উদ্দেশ্যে আগবাঢ়ি আহিছে মানৱতাবাদী সংগঠন 'মানুহে মানুহৰ বাবে, দৰং, অসম'। সংগঠনটোৱে ৰচিদ বহী লৈ ঘৰে ঘৰে, দোকানে দোকানে বৰঙণি বিচাৰি নগৈ, 'মানুহে মানুহৰ বাবে , দৰং , অসম' আৰু 'কৰুণাধাৰা' দৰং জিলা সহায়ক সমিতিৰ হোৱাটছএপ গ্ৰুপত বাৰ্তাটো দিয়াৰ লগে লগেই ১২৪ গৰাকী সহৃদয়বানে সংগঠন দুটাৰ হৃদয়ৰ আন্দোলনলৈ সঁহাৰি জনাই সাধ্যানুসৰি আগবঢ়োৱা মুঠ ৪০ হাজাৰ টকা আজি পৰিয়ালটোৰ হাতত তুলি দিয়ে। এই উপলক্ষে নয়না বৰাৰ ঘৰৰ চোতালত দেওবাৰে বিয়লি চাৰি বজাত হোৱা চমু অনুষ্ঠানত ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তীৰ্থ শৰ্মাই কয়, এটা স্বেচ্ছাসেৱী অনুষ্ঠানে হৃদয়ৰ আন্দোলন গঢ়ি তুলি মহৎ কাম কৰিছে। সংগঠনটোৰ সাধাৰণ সম্পাদক গণেশ দত্তই আঁত ধৰা অনুষ্ঠানটিত সভাপতি হৰিচন্দ্ৰ শৰ্মা, ছিপাঝাৰ বি. জে. বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক পৱিত্ৰ হাজৰিকা, ছিপাঝাৰ শিক্ষাখণ্ডৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক প্ৰণৱ কুমাৰ ডেকা আদিয়ে চিকিৎসা সম্পৰ্কীয় বক্তব্য প্ৰদান কৰাৰ লগতে পৰিয়ালটোক সাহস দিয়ে। এই অনুষ্ঠানত মানুহে 'মানুহৰ বাবে, দৰং, অসম'ৰ উপদেষ্টা আনোৱাৰ হুছেইন, জাহ্নৱী চক্ৰৱৰ্তী, মিনতি হাজৰিকা, কোষাধ্যক্ষ গোলোক বৰা, সদস্য এনী ভুঞা ডেকা, জিতুমণি চহৰীয়া, মীৰা হাজৰিকা, সাংবাদিক পূৰ্ণানন্দ শৰ্মা, ছিপাঝাৰ বি জে বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিম্ন বৰ্গৰ সহায়ক বিকাশ জ্যোতি নাথ, শংকৰ আজান জেনিথ একাডেমীৰ জয়ন্ত কুমাৰ নাথ, জয়ন্ত ডেকা, ইউনিচ আলী আদি উপস্থিত থাকে।

# বৰমাত শিক্ষাৰ্থীৰ আকৰ্ষণ এটা মৎস্য গৱেষণাগাৰ

**ই-সংবাদ, বৰমা, ৯ ডিচেম্বৰঃ** বৰমাৰ এগৰাকী শিক্ষাবিদ, বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপকৰ গৃহত নামনি অসমৰ লগতে অইন ঠাইৰ বিভিন্ন মহাবিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীৰ ভিৰ পৰিলক্ষিত হৈছে। অৱসৰৰ পিছতো অধ্যাপকগৰাকীয়ে নিজ গৃহত শিক্ষাৰ্থীক শিক্ষাদান কৰি সময় পাৰ কৰিছে।শিক্ষাদান কৰাটোৱে যেন তেওঁৰ জীৱনৰ ব্ৰত। প্ৰচাৰ বিমুখ শিক্ষাবিদগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত কেৱল বিলাইছে জ্ঞান। বহু বিদ্যাৰ্থীৰ মাজত অতিকে জনপ্ৰিয় এই জ্ঞান তপস্বীগৰাকী। গৃহত তেওঁৰ আশ্ৰম সদৃশ পৰিৱেশ। হেৰাই যাব ধৰা আপৰুগীয়া বহু গছ সংৰক্ষণ কৰি ৰাখিছে অধ্যাপকগৰাকীয়ে। তেওঁ এজন সঁচা অৰ্থত শিক্ষাবিদ। এই শিক্ষাবিদগৰাকীৰ নাম ড০ নৃপেন্দ্ৰ নাথ শৰ্মা। ঘৰ বাগছা জিলাৰ বৰমাৰ নিজ জুলুকীত। ৰাষ্ট্ৰীয় পথৰ পৰা দক্ষিণ দিশে অলপ দূৰ গ'লেই পোৱা যায় তেওঁৰ আশ্ৰমসদৃশ ঘৰখন। তেওঁ বজালী মহাবিদ্যালয়(বৰ্তমান ভট্টদেৱ বিশ্ববিদ্যালয়)ত প্ৰাণী বিজ্ঞান বিভাগত অধ্যাপনা কৰি কিছু বছৰ আগতে অৱসৰ গ্ৰহণ কৰিছে। তেওঁক দেখিলে এনে লাগে যেন তেওঁ একেবাৰে সহজ-সৰল জ্ঞান পিপাসু মনৰ অধিকাৰী ব্যক্তি। যেন অনন্য জ্ঞানৰ ভাণ্ডাৰ শিক্ষাবিদগৰাকী। মনত অদম্য হেঁপাহ, জীৱনটো তেওঁ ছাত্ৰ-ছাত্ৰীক জ্ঞান বিলোৱাতে পাৰকৰিব। বৰমা অঞ্চলত আজি নিজ কৰ্মৰে মহীয়ান হৈ পৰিছে অশীতিপৰ শিক্ষাবিদগৰাকী। প্ৰায় প্ৰতিদিনেই শিক্ষাবিদগৰাকীৰ ঘৰলৈ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সোঁত বোৱা পৰিলক্ষিত হয়। আজিও ব্যতিক্ৰম নহয়। শিক্ষাৰ্থীসকলৰ লক্ষ্য তেওঁৰ গৃহত থকা 'মৎস্য সংগ্ৰহালয় আৰু গৱেষণাগাৰ'টো পৰিদৰ্শন কৰি জ্ঞান অৰ্জন কৰা। অৱসৰপ্ৰাপ্ত অধ্যাপকগৰাকীয়ে জীৱনৰ সমস্ত সঞ্চিত ধন ব্যয় কৰিছে এই গৱেষণাগাৰটোত। বৰ্তমান হেৰাই যাবলৈ ধৰা কি মাছৰ প্ৰজাতি নাই এই সংগ্ৰহালয়টোত? বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰা হৈছে এই সংগ্ৰহালয়টো। ২৫০ বিধতকৈ বেছি মাছৰ প্ৰজাতি সংৰক্ষণ হৈ আছে এই সংগ্ৰহালয়টোত। এই মাছৰ প্ৰজাতিবোৰ ৰখাৰ বাবে শিক্ষাবিদগৰাকীয়ে নিজৰ গৃহৰ চৌহদতে নিৰ্মাণ কৰিছে এটি ভৱন। সেয়াই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। আজি খণ্ড শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান ৰঙিয়াৰ প্ৰশিক্ষক হেমন্ত নাৰায়ণ দাস, ধৰ্মেশ্বৰ বৰ্মন, দ্বীপশিখা, প্ৰমোদ কাঠাৰ, সমৰজিৎ মহন্ত আৰু জ্ঞানশ্ৰী শৰ্মাৰ নেতৃত্বত অহা এটি সঁজাতি দলে মৎস্য বৈচিত্ৰিক আৰু আনুবংশিক সংগ্ৰহালয়টো শিক্ষাৰ্থীসকলক লগত লৈ পৰিদৰ্শন কৰিবলৈ আহে। লগতে জৈৱ বৈচিত্ৰ্যৰ বিষয়ে শিক্ষাগ্ৰহণ কৰে।

# ‘বাল বিবাহ মুক্ত ভাৰত’ অভিযানক লৈ প্ৰশিক্ষণ শিবিৰ

**ই-সংবাদ, ডিব্ৰুগড়, ৯ ডিচেম্বৰঃ** মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্পঃ মহিলা সৱলীকৰণ কেন্দ্ৰ, জিলা শিশু সুৰক্ষা গোটৰ যৌথ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত 'বাল বিবাহ মুক্ত ভাৰত' কাৰ্যসূচীৰ অধীনত জাগৃতি প্ৰশিক্ষণ কেন্দ্ৰত গাঁও পঞ্চায়ত পৰ্যায়ৰ বিবাহ নিষেধাজ্ঞা বিষয়াসকলৰ মাজত এখনি এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আজি সূচাৰুৰূপে পালন কৰা হয়। এই কাৰ্যসূচীত জিলা আইনীসেৱা প্ৰাধিকীকৰণৰ সম্পাদক অভিজিৎ শইকীয়াই(অসম ন্যায়িক সেৱা) বাল্য বিবাহৰ লগত জড়িত আইন তথা ইয়াৰ প্ৰক্ৰিয়াবোৰৰ বিষয়ে বিশদভাৱে তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰে। শিশু কল্যাণ সমিতিৰ সদস্যা ৰুমী মহন্ত দত্তই তেওঁলোকৰ মাজত বাল্য বিবাহৰ ক্ষেত্ৰত শিশু কল্যাণ সমিতিৰ ভূমিকা তথা শিশু বিবাহ নিষেধাজ্ঞা বিষয়াসকলৰ এই ক্ষেত্ৰত কৰণীয় কামবোৰৰ বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে।

# বাগছাৰ দেৱচৰাত প্ৰধানমন্ত্ৰী টিবি মুক্ত ভাৰত অভিযান

**ই-সংবাদ, বৰমা, ৯ ডিচেম্বৰঃ** বাগছা জিলাৰ ৬২ নং বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন বড়োৰ নেতৃত্বত সমষ্টিটোৰ ৮০ গৰাকী টিবি ৰোগীক বিতৰণ পুষ্টিকৰ খাদ্য বিতৰণ কৰা হয়। প্ৰধান মন্ত্ৰী টিবি মুক্ত ভাৰত অভিযানৰ অধীনত বাগছাৰ KHPT নামৰ সংস্থাটোৰ উদ্যোগত বাগছা জিলা স্বাস্থ্য বিভাগৰ সহযোগত আজি বৰমাৰ দেৱচৰাৰ কালি মন্দিৰ প্ৰাংগণত বিধায়ক ভূপেন বড়োৰ নেতৃত্ব জিলাখনৰ প্ৰায় ৮০ গৰাকী টিবি ৰোগত আক্ৰান্ত ৰোগীক বিতৰণ কৰে পুষ্টিকৰ খাদ্য। অনাগত দিনত বিধায়কগৰাকীয়ে প্ৰায় ৩০০ মান টিবি ৰোগীক এনেদৰে সহায়-সহযোগ কৰিব বুলি উল্লেখ কৰে। বিধায়কগৰাকীয়ে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ টিবি মুক্ত ভাৰতৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ টিবি মুক্ত অসম আৰু বিটিআৰ প্ৰধান প্ৰমোড বড়োৰ টিবি মুক্ত বিটিআৰ গঢ়াৰ সংকল্প লয় বুলি উল্লেখ কৰে। উক্ত অনুষ্ঠানটোত KHPT সংস্থাৰ বিষয়ববীয়াৰ লগতে জিলা স্বাস্থ্য বিষয়াসকল উপস্থিত থাকি বিধায়কগৰাকীক সহযোগ কৰে। দেৱচৰাত অনুষ্ঠিত সভাত বিধায়ক ভূপেন বড়োৰ লগতে বাগছা জিলাৰ যুটীয়া স্বাস্থ্য বিষয়া মনোজ কুমাৰ দাস ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ বিষয়া এন এছ বৰগয়াৰী, জিলা বিষয়া দিবাস দাস, স্বাস্থ্য বিষয়া অৰুণ শৰ্মাৰ লগতে বাগানপাৰাৰ টি এল চি চিৰ অধ্যক্ষ সন্ধ্যা বৈশ্য আৰু টিবি ৰোগীৰ লগতে স্থানীয় লোক উপস্থিত থাকে।

# চাপৰৰ ৰঙামাটিত বিদ্যালয়ৰ পায়খানা আৰু প্ৰস্ৰাৱগাৰ নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ

**ই-সংবাদ, চাপৰ, ৯ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ চাপৰ শালকোচা উন্নয়ন খণ্ডৰ অন্তৰ্গত আৰু ৰঙামাটি গাঁও পঞ্চায়তৰ অধীনস্থ ১৯১৫ নং ছাচলাপাৰা এল পি স্কুলত পায়খানা আৰু প্ৰস্ৰাৱগাৰ নিৰ্মাণৰ নামত ব্যাপক খেলিমেলি কৰাৰ অভিযোগ উঠিছে। অভিযোগ মৰ্মে বিদ্যালয়খনৰ পায়খানা আৰু প্ৰস্ৰাৱগাৰ নিৰ্মাণৰ বাবে পঞ্চদহ বিত্তীয় আয়োগৰ অধীনত আবণ্টন হৈছিল প্ৰায় দুই লাখ তেত্ৰিশ হাজাৰ টকা। বিদ্যালয়খনৰ উক্ত নিৰ্মাণ কাৰ্যৰ ঠিকা লাভ কৰিছিল মনোৱাৰ হুছেইন নামৰ এগৰাকী ব্যক্তিয়ে। কিন্তু কাম সম্পূৰ্ণ নকৰাকৈয়ে ৭৫ শতাংশ ধন ঠিকাদাৰগৰাকীয়ে মোকলাই লৈ যোৱাৰ অভিযোগ উঠিছে। ফলত পায়খানা আৰু প্ৰস্ৰাৱগাৰ নথকাৰ ফলত নৰক যন্ত্ৰণা ভুগিছে ছাত্ৰ-ছাত্ৰীসকলে। ৰাইজে বহুবাৰ বিভাগীয় কৰ্তৃপক্ষক উক্ত সমস্যাৰ বিষয়ে অৱগত কৰাৰ পিছতো আজিলৈকে কোনো ধৰণৰ পদক্ষেপ নোলোৱাৰ অভিযোগ উঠিছে। ইপিনে, উক্ত কামৰ বিষয়ে খণ্ড উন্নয়ন বিষয়া আৰু পঞ্চায়ত সচিবক জনোৱাৰ পিছতো কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে।

# সমাগত পঞ্চায়ত নিৰ্বাচনক লৈ লাহৰীঘাট বিধানসভা সমষ্টিত অগপৰ তৎপৰতা

**ই-সংবাদ, লাহৰীঘাট, ৯ ডিচেম্বৰঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৫৩ নং লাহৰীঘাট বিধানসভা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলে ইতিমধ্যে নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ লাহৰীঘাট বিধানসভা সমষ্টিত অসম গণ পৰিষদে পঞ্চায়ত নিৰ্বাচনৰ তৎপৰতা আৰম্ভ কৰিছে। উল্লেখ্য যে সমষ্টি পুনঃনিৰ্ধাৰণৰ পিছত ৩০খন গাঁও পঞ্চায়তৰে গঠিত হৈছে লাহৰীঘাট বিধানসভা সমষ্টি। আজি ৩০খন গাঁও পঞ্চায়তৰ কৰ্মীৰে অনুষ্ঠিত হয় অগপৰ লাহৰীঘাট বিধান পৰিষদৰ এখনি কাৰ্যনিবাহক সভা। লাহৰীঘাটৰ তিনিচুকীয়াত বিধান পৰিষদৰ মুখ্য কাৰ্যালয়ত লাহৰীঘাট বিধান পৰিষদৰ সভাপতি গুলজাৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হয় বিশাল কাৰ্যনিৰ্বাহক সভা। এই সভাত অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আনোৱাৰ হুছেইনৰ লগতে ৩০খন আঞ্চলিক পৰিষদৰ পৰা কেবা শতাধিক কৰ্মী উপস্থিত থাকে। এই কাৰ্যনিৰ্বাহক সভাত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ দলীয় ৰণকৌশল সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। আগন্তুক পঞ্চায়ত নিৰ্বাচনত লাহৰীঘাট সমষ্টিৰ প্ৰতিটো পঞ্চায়তত দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰাৰ ক্ষেত্ৰত আলোচনা কৰে। আজিৰে পৰা বুথ পৰ্যায়ত সংগঠন আৰু অধিক শক্তিশালী কৰাৰ বাবে ৰণকৌশল প্ৰস্তুত কৰে। ইফালে, বিধান পৰিষদৰ সভাপতি গুলজাৰ হুছেইনে সকলো দলীয় কৰ্মীক আজিৰে পৰা পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিবলৈ আহ্বান জনায়।

## ডিব্ৰুগড়ত লিংগভিত্তিক হিংসাৰ বিৰুদ্ধে সজাগতা অভিযান কাৰ্যসূচীৰ অধীনত আলোচনা চক্ৰ

**ই-সংবাদ, ডিব্ৰুগড়, ৯ ডিচেম্বৰঃ** ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰ, খোৱাং মহাবিদ্যালয়ৰ এন এছ এছ গোট আৰু মহিলা কোষৰ যৌথ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত খোৱাং মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত জিলাখনত ১৬ দিনীয়াকৈ চলি থকা 'লিংগভিত্তিক হিংসাৰ বিৰুদ্ধে সজাগতা অভিযান'ৰ এটি কাৰ্যসূচী তথা এখন আলোচনাচক্ৰ সাত ডিচেম্বৰত সুচাৰুৰূপে সম্পন্ন হয়। খোৱাং মহাবিদ্যালয়ৰ উপাধ্যক্ষ দীপালি শইকীয়াৰ সভাপতিত্বত পৰিচালনা হোৱা এই কাৰ্যসূচীত উপস্থিত থাকে ডিব্ৰুগড় জিলাৰ সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া সুপ্ৰিয়া বাউলাৰী। উক্ত কাৰ্যসূচীত জিলা আইনীসেৱা প্ৰাধিকীকৰণক প্ৰতিনিধিত্ব কৰি অহা অধিবক্তা আলোক কৰ দুৱৰাই লিংগভিত্তিক হিংসাৰ লগত জড়িত বিভিন্ন আইনসমূহ আৰু ভাৰতীয় ন্যায় সংহিতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহিলা অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপিকা ড০ বৰ্ণালী দাস আৰু সহকাৰী গৱেষক দেৱযানী বৰায়ো ভাষণ প্ৰদান কৰে।

## মৰিগাঁৱৰ দোৱামাৰি প্ৰাঃ বিদ্যালয় প্ৰধানৰ বিভাগীয় নীতি-নিয়মক জলাঞ্জলি

**ই-সংবাদ, মৰিগাঁও, ৯ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত দোৱামাৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অজিফা বেগমৰ স্বেচ্ছাচাৰী কাম-কাজ, বিদ্যালয় পৰিচালনা সমিতিক অংগুষ্ঠ প্ৰদৰ্শন কৰাৰ উপৰি বিভাগীয় নীতি-নিয়মক জলাঞ্জলি দিয়া কাৰ্যত অতিষ্ঠ হৈছে বিদ্যালয় পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজ। প্ৰাপ্ত তথ্য মতে, বিভাগীয় নিয়ম মতে, প্ৰত্যেক মাহৰ শেষত সংশ্লিষ্ট মণ্ডল কেন্দ্ৰৰ সমন্বয়কৰ উপস্থিতিত পৰিচালনা সমিতিৰ একোবাৰকৈ বৈঠক হ'ব লাগে। কিন্তু পৰিচালনা সমিতিখনে বিভাগীয় অনুমোদন পোৱা প্ৰায় এবছৰ হ'ল যদিও সমিতিৰ সভা এবাৰহে বহিছে। আনহাতে, প্ৰধান শিক্ষয়িত্ৰীৰ স্বামী আন এখন বিদ্যালয়ৰ সহকাৰী শিক্ষক জালালউদ্দিন বিদ্যালয়লৈ আহি পৰিচালনা সমিতিৰ সদস্য আৰু স্থানীয় লোকক বেয়া ব্যৱহাৰ কৰাৰো অভিযোগ পোৱা গৈছে। উল্লেখ্য যে বিদ্যালয়ৰ বিভিন্ন অনুদান আৰু যাৱতীয় খৰচ অদ্যপি অৱগত কৰা নাই পৰিচালনা সমিতিক। প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে বিভাগীয় নিয়ম উলংঘন কৰি পি এম পোষণৰ চাউল বিদ্যালয়ৰ পৰিৱৰ্তে নিজৰ গৃহত ৰাখি চাউল হৰলুকী কৰাৰো অভিযোগ উঠিছে। লজ্জাজনক কথা যে প্ৰতি বুধবাৰে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনত এটাকৈ কণী দিব লাগে যদিও এটা কণীকে দুই তিনিজনক ভগাই দিয়াৰ নিকৃষ্ট কাৰ্যত লিপ্ত হৈছে প্ৰধান শিক্ষয়িত্ৰীগৰাকী। এই দুষ্কাৰ্যসমূহৰ বিষয়ে স্থানীয় ৰাইজে লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মঃ বাহাৰুল ইছলামক অভিযোগ দাখিল কৰাত বিষয়াগৰাকীয়ে ৪ টা অভিযোগ সম্বলিত পত্ৰৰে প্ৰধান শিক্ষয়িত্ৰীক কৈফিয়ৎ তলব কৰে। ২০ নৱেম্বৰত প্ৰদান কৰা কৈফিয়তৰ উত্তৰ দিবলৈ তিনিদিনৰ সময়সীমা বান্ধি দিয়া হৈছিল। কিন্তু কৰ্তৃপক্ষক কোনো গুৰুত্ব নিদি আজি পৰ্যন্ত তেওঁ কৈফিয়তৰ কোনো উত্তৰ দিয়া নাই বুলি জানিব পৰা গৈছে। আনহাতে, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ সৈতে গোপন বুজাবুজিত উপনীত হোৱা বুলি জানিব পৰা গৈছে। আন এক অভিযোগ মতে, প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে উদকাটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু দেৱাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ এজন সহকাৰী শিক্ষকসহ বাহাৰুল ইছলামক সাক্ষাৎ কৰাৰ পিছতেই খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীৰ পূৰ্বৰ স্থিতি সলনি হৈছে। এক শকত পৰিমাণৰ ধনৰ লেনদেন হোৱা বুলি দাবী কৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিসহ স্থানীয় ৮ জন লোকে অভিযোগ পত্ৰ দাখিল কৰিছে মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত। অভিযোগকাৰীসকলে জিলা আয়ুক্তই তদন্ত কৰি প্ৰধান শিক্ষয়িত্ৰী আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীক শাস্তি প্ৰদানৰ দাবী কৰিছে।

## বাঘমাৰা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ পৰীক্ষাগাৰ নিৰ্মাণত অনিয়ম

**ই-সংবাদ, শিমলীতোলা, ৯ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ ফলত পৰ্যাপ্ত আন্তঃগাথঁনিৰ অভাৱ পূৰণ কৰিবলৈ ইতিমধ্যে বৰপেটা জিলা সমগ্ৰ শিক্ষাৰ সৌজন্যত বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২ টা পদাৰ্থ বিজ্ঞান, ১ টা ৰসায়ন বিজ্ঞান, ২ টা জীৱ বিজ্ঞানৰ পৰীক্ষাগাৰৰ প্ৰায় ১.২ কৌটি টকীয়া কামৰ অনুমোদন লাভ কৰে। ৭ অক্টোবৰত বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে আধাৰশিলা স্থাপন কৰা উক্ত কামৰ ঠিকাদাৰ জাকিৰ হুছেইনে মন্দিয়া উন্নয়ন খণ্ডৰ শিক্ষা বিভাগৰ কনিষ্ঠ অভিযন্তা আব্দুৰ ৰহিমৰ ছত্ৰছায়াত প্ৰথমৰ পৰাই প্ৰাককলন মতে কাম কৰাৰ পৰিৱৰ্তে নিজ ইচ্ছামতে কাম কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজে। গৃহ নিৰ্মাণৰ আৰম্ভণিতে নিম্নমানৰ প্ৰায় ৫০ শতাংশ ৰাউণ্ড গিটি, মাটি মিহলোৱা বালি, অনিয়মিত মছলা মিক্সিং ইত্যাদি নিম্নমানৰ সামগ্ৰীৰে কাম কৰাৰ লগতে মূল ভেটি(ফাউণ্ডেচন) গাঁথনিত ১০ ইঞ্চিৰ পৰিৱৰ্তে ৫ ইঞ্চি কৰি কাম কৰিবলৈ দিয়াত সচেতন মহলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টিহৈছিল। পিছলৈ বিভিন্ন মহলৰ পৰা হোৱা প্ৰতিবাদৰ ফলত ৫ ইঞ্চিৰ ভেটি ভাঙি ১০ ইঞ্চি কৰে। অতি শীঘ্ৰে এনে বৃহৎ দুৰ্নীতিৰ তদন্তমৰ্মে দোষীক শাস্তি দিয়াৰ লগতে গৃহ নিৰ্মাণত হোৱা আঁসোৱাসমূহ দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক স্থানীয় ৰাইজে দাবী জনাইছে।

## ২০২৪ বৰ্ষৰ 'শ্ৰোতা প্ৰেৰণা বঁটা' আকাশবাণী গুৱাহাটীৰ কাৰ্ত্তিক সূত্ৰধৰলৈ

# ২৫ ডিচেম্বৰত অনাতাঁৰ মৰম পৰিয়ালৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱসক লৈ ব্যাপক আয়োজন

**ই-সংবাদ, মাজুলী, ৯ ডিচেম্বৰঃ** ২০১০ চনৰ ২৫ ডিচেম্বৰত মাজুলীত প্ৰতিষ্ঠা হোৱা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ 'অনাতাঁৰ মৰম পৰিয়াল'ৰ অহা ২৫ ডিচেম্বৰত পঞ্চদশ প্ৰতিষ্ঠা দিৱস এইবছৰ ধেমাজি জিলাৰ চিলাপথাৰত অনুষ্ঠিত হ'ব। এইবছৰ পৰিয়ালটোৰ প্ৰতিষ্ঠা দিৱস প্ৰথমবাৰলৈ শ্ৰোতা এজনৰ ঘৰৰ চোতালৰ পৰিৱৰ্তে চিলাপথাৰৰ জ্যোতিনগৰস্থিত প্ৰজ্ঞাজ্যোতি সংগীত মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি অহা পৰিয়ালটোৰ বাৰ্ষিক মুখপত্ৰ 'মৰম এক যোগসূত্ৰ' এইবছৰ কিছু অসুবিধাৰ কাৰণে প্ৰকাশ নাপায়। প্ৰতিষ্ঠা দিৱসত প্ৰতিবছৰে পৰিয়ালটোৰ ফালৰ পৰা ৰেডিঅ'ৰ সৈতে জড়িত একোজন ব্যক্তিক প্ৰদান কৰি আহিছে 'শ্ৰোতা প্ৰেৰণা বঁটা' আৰু এজন শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ 'অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা'। এই বৰ্ষত পৰিয়ালটোৱে 'শ্ৰোতা প্ৰেৰণা বঁটা-২০২৪' আগবঢ়াইছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰব্বী কাৰ্ত্তিক সূত্ৰধৰ আৰু বছৰটোৰ শ্ৰেষ্ঠ 'অনাতাঁৰ শ্ৰোতা বন্ধু' বঁটা মৰণোত্তৰভাৱে প্ৰথমবাৰলৈ আগবঢ়াইছে সদ্য প্ৰয়াত চৰাইদেউ জিলাৰ চফ্ৰাইৰ জালালুদ্দিন হালদাৰলৈ। ইতিমধ্যে পৰিয়ালটোৱে বাছনি কৰি দিয়া বঁটা বাছনি সমিতিয়ে এই কথা পৰিয়ালটোৰ সভাপতি/সম্পাদকক জনোৱাৰ পাছত আজি পৰিয়ালটোৰ ১৪৪ সংখ্যক ফোন কনফাৰেন্স সভাত সংযোগ হোৱা সদস্যসকলক সভাপতি-সম্পাদকে বিষয়টি অৱগত কৰে। এই বঁটাত থাকিব একোটা ৰেডিঅ' ছেট্, একোটিকৈ স্মাৰক, জাপি, সম্বৰ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি। সেইদিনা অনুষ্ঠানটিত অসমৰ বিভিন্ন ঠাইৰ পৰিয়ালটিৰ সদস্যসকলৰ লগতে অঞ্চলটিৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকল উপস্থিত থাকিব বুলি পৰিয়ালটিৰ মুখ্য উপদেষ্টা জয়বৰ পাংগিং, বিনোদ গগৈ, মুন বৰা, সভাপতি নকুল গগৈ, সম্পাদক নিতু দেৱ আৰু প্ৰচাৰ সম্পাদক সোণাৰাম লালুঙে জানিবলৈ দিছে।

## ৯,১০,১১ আৰু ১২জানুৱাৰীত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী

# ডিমাকুছিত বড়ো সাহিত্য সভাৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, ডিমাকুচি, ৯ ডিচেম্বৰঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ হিমালয়ৰ পাদদেশত অৱস্থিত তথা পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিমাকুছিৰ দৈমু নগৰত অনুষ্ঠিত হ'ব বড়ো জনগোষ্ঠীৰ সৰ্ববৃহৎ জাতীয় সংগঠন বড়ো সাহিত্য সভা। আগন্তুক ২০২৫ বৰ্ষৰ ৯, ১০, ১১ আৰু ১২ জানুৱাৰীত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৬৪ সংখ্যক বড়ো সাহিত্য সভা। বিগত বহুদিন ধৰি দিনে-নিশাই সকলো ব্যস্ত হৈ পৰিছে বড়ো সাহিত্য সভাৰ অধিৱেশনৰ কাম-কাজত। ইতিমধ্যে ডিমাকুছিত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ মূল আদৰণি সমিতি গঠন কৰাৰ উপৰি বহুকেইখন উপ-সমিতি গঠন কৰি দিন-ৰাতি একেকাৰ কৰি পুৰুষ-মহিলা সকলোৱে ব্যস্ত হৈ পৰিছে বড়ো সাহিত্য সভাৰ কাম-কাজত। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ উপস্থিতিত আজি বিভিন্ন ৰীতি-নীতি তথা সম্পূৰ্ণ মাংগলিক নিয়মেৰে বড়ো সাহিত্য সভাৰ অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে। প্ৰায় ৫ হাজাৰ বিঘা ভূমিত বড়ো সাহিত্য সভাৰ বৃহৎ আয়োজন কৰি আহিছে উদযাপন সমিতিয়ে। ডিমাকুছিৰ দৈমু নগৰত অনুষ্ঠিত বড়ো সাহিত্য সভাত ৩ কোটি টকা বাজেটেৰে প্ৰতিদিনে প্ৰায় ৫০ হাজাৰ লোকক আদৰিবলৈ সাজু হৈ উঠিছে উদযাপন সমিতি। প্ৰতিটো মুহূৰ্ততে আদৰণি সমিতি তথা উপ-সমিতিসমূহৰ কাম-কাজৰ বুজ লৈ চোৱা-চিতা কৰি আছে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। লাইখুঁটা স্থাপনৰ মুকলি সভাত ওদালগুৰি জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ সম্পাদক তথা উদযাপন সমিতিৰ মুখ্য আহ্বায়ক জৌশ্ৰাং বড়োৱে আঁত ধৰা সভাত উপস্থিত থাকে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিআৰৰ ইএম দাওবাইছা বড়ো, এম চি এল এ ভৱেন বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়ো, বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰত নাৰ্জাৰী, অসম সাহিত্য সভাৰ ওদালগুৰি জিলা সমিতিৰ প্ৰাক্তন সভাপতি গৌৰী শংকৰ দাস, বিটিআৰৰ প্ৰাক্তন উপাধ্যক্ষ নেৰশ্বন বড়ো, প্ৰাক্তন বিধায়িকা কমলী বসুমতাৰী, বহুকেইগৰাকী বিভিন্ন ৰাজনৈতিক দলৰ দলীয় নেতা-কৰ্মী, বিভিন্ন দল-সংগঠনৰ ছাত্ৰ নেতা তথা বিষয়ববীয়া, বৃহত্তৰ ডিমাকুছি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী ব্যক্তি, শিক্ষক, বুদ্ধিজীৱী, সাহিত্যিক, সাংবাদিক, জ্যেষ্ঠ ব্যক্তিসকলৰ উপৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰায় সহস্ৰাধিক লোক। আজি অনুষ্ঠিত সভাত আগন্তুক হ'বলগীয়া বড়ো সাহিত্য সভাৰ অগ্ৰগতি সম্পৰ্কে বিতংভাৱে আলোচনা কৰি সকলো উপ-সমিতিকে কাম-কাজৰ দায়িত্ব অৰ্পণ কৰি যুদ্ধকালীন প্ৰস্তুতি চলাবলৈ আহ্বান জনায় বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। ইতিমধ্যে ২০২৪ বৰ্ষৰ ফেব্ৰুৱাৰী মাহতে ৰাজহুৱাভাৱে বড়ো সাহিত্য সভাৰ অধিৱেশনৰ আদৰণি সমিতি গঠন কৰা হৈছিল। ৰাজহুৱা সভাত বিভিন্ন জাতি জনগোষ্ঠীৰ সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱি, দল-সংগঠনৰ ছাত্ৰ নেতা-কৰ্মী, বিভিন্ন ৰাজনৈতিক দলৰ নেতা-কৰ্মীকে ধৰি সহস্ৰাধিক লোক উপস্থিত থাকে। ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ সভাপতি মাণিক বসুমতাৰীৰ সভাপতিত্ব অনুষ্ঠিত সভাত বড়ো সাহিত্য সভাৰ অধিৱেশনৰ বাবে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক সভাপতি, বিটিচিৰ কাৰ্যবাহী সদস্য দাউবাইছা বড়োক কাৰ্যকৰী সভাপতি আৰু জোশ্ৰাং বড়োক মুখ্য আহ্বায়ক হিচাপে লৈ মূল আদৰণি সমিতি গঠন কৰি কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰি আহিছে। লাইখুঁটা স্থাপন অনুষ্ঠানত ডিমাকুছিৰ দৈমু নগৰত অনুষ্ঠিত ৰাজহুৱা সভাত পৰিচালনা সমিতিৰ সভাপতি তথা বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে উপস্থিত থাকি সকলো কাম-কাজৰ তদাৰক কৰি অতি শীঘ্ৰে কাম-কাজ সম্পূৰ্ণ হ'ব বুলি জানিবলৈ দিয়ে। বড়ো সাহিত্য সভা অধিৱেশনত বিভিন্ন দেশ-বিদেশৰ মন্ত্ৰী বিধায়ক তথা বিভিন্ন ৰাজ্যৰ পৰা আলহী-অতিথি উপস্থিত হোৱাৰ উপৰি প্ৰতিদিনে প্ৰায় ৫০ হাজাৰতকৈয়ো অধিক লোকৰ সমাৰেশ হ'ব বুলি জানিবলৈ দিয়ে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। বড়ো সাহিত্য সভাৰ অধিৱেশনত বড়ো সাহিত্য-সংস্কৃতিৰ পৰ্যালোচনা কৰাৰ উপৰি গ্ৰন্থমেলা তথা মুকলি মেলাৰ আয়োজন কৰা হ'ব। প্ৰায় ৩ কোটি টকাৰ বাজেটেৰে ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# চণ্ডীগড়ত ব্ৰঞ্জৰ পদক জয় অভিৰূপাৰ




**গুৱাহাটী, ৯ ডিচেম্বৰঃ** চণ্ডীগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত অল ইণ্ডিয়া কাৰাটে চেম্পিয়নশ্বিপৰ উত্তৰ মণ্ডল আৰু উত্তৰ-পূৰ মণ্ডলভিত্তিক আন্তঃবিশ্ববিদ্যালয় গেমছত মহিলাৰ ছিনিয়ৰ শাখাত গুৱাহাটীৰ অভিৰূপা কাশ্যপে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। বিগত ১ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ অনুষ্ঠিত এই চেম্পিয়নশ্বিপত অভিৰূপাই ইউ এছ টি এম বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰ লগে লগে হাৰিয়ানাৰ ৰোহটকত অনুষ্ঠিত হ'বলগীয়া অল ইণ্ডিয়া ইউনিভাৰ্চিটি গেমছৰ বাবে নিৰ্বাচিত হৈছে অভিৰূপা। আজি গুৱাহাটীত উপস্থিত হোৱা অভিৰূপাৰ এই উৎকৃষ্ট প্ৰদৰ্শনত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য-শিক্ষক গোট, প্ৰশিক্ষক চিন্ময়ী ৰাজখোৱা আৰু পিতৃ-মাতৃয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে আগন্তুক অল ইণ্ডিয়া গেমছত ভাল ফলাফলৰ আশা প্ৰকাশ কৰিছে।

# নগাঁৱৰ যুৱক গুৱাহাটীত সন্ধানহীন

**ই-সংবাদ, বেবেজীয়া, ৯ ডিচেম্বৰঃ** নগাঁও জিলাৰ ধিং অঞ্চলৰ হাৰিছ জুল্লা নামৰ এজন যুৱক বিহাৰৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত গুৱাহাটীত নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ধিঙৰ মৈৰাধ্বজ নিবাসী ছামচুল হকৰ পুত্ৰ হাৰিছ জুল্লাই পেটৰ তাড়নাত কৰ্ম সংস্থাপনৰ বাবে কিছুদিনৰ পূৰ্বে বহিঃৰাজ্য বিহাৰলৈ গৈছিল। কিন্তু বিহাৰৰ পৰা ৰে'লেৰে ঘৰলৈ উভতি আহি থকা অৱস্থাত যোৱা তিনি ডিচেম্বৰৰ দিনা গুৱাহাটীৰ পৰা ৰহস্যজনকভাৱে সন্ধানহীন হৈ পৰে যুৱকজন। পিছত যুৱকজন সন্ধানহীন হোৱাৰ খবৰ পৰিয়ালৰ লোকে জানিব পৰাত পৰিয়ালৰ লোকসকলৰ মাজত হাহাকাৰ লাগে। এসপ্তাহ ধৰি কোনো সম্ভেদ নোপোৱাত পৰিয়ালৰ লোকসকল দুশ্চিন্তাত মানসিকভাৱে ভাগি পৰাৰ বিপৰীতে উপায়হীন হৈ ইতিমধ্যে সন্ধানহীন সন্দৰ্ভত ধিং আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। সেয়ে যদি কোনো সদাশয় ব্যক্তিয়ে নিৰুদ্দিষ্ট যুৱকজনৰ কিবা সন্ধান পায় তেন্তে 87782-23371 আৰু 87143-74696 নম্বৰ অথবা ওচৰৰ আৰক্ষী থানাত যোগাযোগ কৰিবলৈ যুৱকজনৰ দুৰ্ভগীয়া পৰিয়ালবৰ্গই কাতৰ অনুৰোধ জনাইছে।



শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ দ্বিতীয় টেষ্টৰ এটি মুহূৰ্ত, সোমবাৰে

## ষ্ট্ৰং মেন অৱ মৰিগাঁও ডিষ্ট্ৰিক্ট খিতাপ জয় ৰাজামণিৰ

# মৰিগাঁৱত আন্তঃ ক্লাব শক্তি উত্তোলন প্ৰতিযোগিতা

**ই-সংবাদ, মৰিগাঁও, ৯ ডিচেম্বৰঃ** মৰিগাঁও জিলা শক্তি উত্তোলন সংস্থাৰ উদ্যোগত মৰিগাঁৱত কালি পুৱাৰে পৰা নিশা পৰ্যন্ত এখন জিলা আন্তঃ ক্লাব শক্তি উত্তোলন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ দেৱেন্দ্ৰনাথ হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত এই প্ৰতিযোগিতাখন পুৱাৰ ভাগত এগছি বন্তি প্ৰজ্বলন কৰি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই। অনুষ্ঠানত মৰিগাঁৱৰ বিশিষ্ট পশু চিকিৎসা বিষয়া ডাঃ নীলোৎপল কাকতি, আন্তঃৰাষ্ট্ৰীয় সমৰকলা খেলুৱৈ মানস কুমাৰ নাথ, মৰিগাঁও জিলা শক্তি উত্তোলন সংস্থাৰ সভাপতি নিতু দাস, সম্পাদক মোহন দাস, সহকাৰী সম্পাদক গুনেন্দ্ৰ লাহন প্ৰমুখ্যে বহুকেইজন ক্ৰীড়া সংগঠক উপস্থিত থাকে। এই প্ৰতিযোগিতাত সৰ্বমুঠ ২৪ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত ৫৪৭.৫০ কিলোগ্ৰাম শক্তি উত্তোলনেৰে ৰাজামণি আহমেদে ষ্ট্ৰং মেন আৰ মৰিগাঁও ডিষ্ট্ৰিক্ট-২০২৪ খিতাপ অৰ্জন কৰে। বিচাৰক আছিল অজিত নাথ আৰু প্ৰতাপ বৰদলৈ।

# খেল মহাৰণৰ সমষ্টিভিত্তিক খেললৈ সাজু তামুলপুৰ জিলা প্ৰশাসন

**ই-সংবাদ, তামুলপুৰ, ৯ ডিচেম্বৰঃ** তামুলপুৰ জিলাত খেল মহাৰণ ২.০ৰ ভিচিচিডি পৰ্যায়ৰ খেল প্ৰতিযোগিতাৰ সামৰণি পৰাৰ পাছত জিলাখনৰ দুয়োটা বিধানসভা সমষ্টিত সমষ্টিভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী স্বাক্ষৰিত এটা বিবৃতিত প্ৰকাশ যে অহা ১০ ডিচেম্বৰৰ পৰা ১৪ ডিচেম্বৰলৈ তামুলপুৰ বিধানসভা সমষ্টিত আৰু ১৭ ডিচেম্বৰৰ পৰা ২১ ডিচেম্বৰলৈ গোৰেশ্বৰ বিধানসভা সমষ্টিত ৫ দিনীয়াকৈ, মুঠ ১০ দিন এই খেল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিদিনে প্ৰতিযোগিতাসমূহ দুখনকৈ খেলপথাৰত অনুষ্ঠিত হ'ব। তদুপলক্ষে ১০ ডিচেম্বৰত তামুলপুৰ জিলাৰ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এথলেটিকছ আৰু কাবাদী (ল'ৰা-ছোৱালী); কচুবাৰী হাইস্কুল খেলপথাৰত ১৭ বছৰ উৰ্ধ্বৰ ল'ৰাৰ ফুটবল; ১১ ডিচেম্বৰতো তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত এথলেটিকছ আৰু কাবাদী; কচুবাৰী হাইস্কুল খেলপথাৰত ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ফুটবল; ১২ ডিচেম্বৰত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত কাবাদী, দবা, ভলীবল আৰু ফুটবল; কচুবাৰী হাইস্কুল খেলপথাৰত দুয়োটা শাখাৰ ফুটবলৰ চূড়ান্ত প্ৰতিযোগিতা; ১৩ ডিচেম্বৰত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চাইক্লিং (ল'ৰা-ছোৱালী) আৰু ফুটবল; কচুবাৰী হাইস্কুল খেলপথাৰত ১৭ বছৰ অনূৰ্ধ্ব ছোৱালীৰ ফুটবল প্ৰতিযোগিতা; আৰু ১৪ ডিচেম্বৰত বাকী থকা খেলসমূহ অনুষ্ঠিত হ'ব। আনহাতে ১৭ ডিচেম্বৰত গোৰেশ্বৰ মিনি ৰুৰেল ষ্টেডিয়ামত এথলেটিকছ আৰু কাবাদী (ল'ৰা-ছোৱালী); গোৰেশ্বৰ হাইস্কুল খেলপথাৰত ১৭ বছৰ উৰ্ধ্বৰ ল'ৰাৰ ফুটবল প্ৰতিযোগিতা; ১৮ ডিচেম্বৰতো গোৰেশ্বৰ মিনি ৰুৰেল ষ্টেডিয়ামত এথলেটিকছ আৰু কাবাদী (ল'ৰা-ছোৱালী); গোৰেশ্বৰ হাইস্কুল খেলপথাৰত ১৭ বছৰ অনূৰ্ধ্ব ল'ৰাৰ ফুটবল প্ৰতিযোগিতা; ১৯ ডিচেম্বৰত গোৰেশ্বৰ মিনি ৰুৰেল ষ্টেডিয়ামত কাবাদী (ল'ৰা-ছোৱালী), দবা, ভলীবল, ফুটবল; গোৰেশ্বৰ হাইস্কুল খেলপথাৰত দুয়োটা শাখাৰ চূড়ান্ত ফুটবল প্ৰতিযোগিতা; ২০ ডিচেম্বৰত গোৰেশ্বৰ মিনি ৰুৰেল ষ্টেডিয়ামত চাইক্লিং (ল'ৰা-ছোৱালী), ফুটবল; গোৰেশ্বৰ হাইস্কুল খেলপথাৰত ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ফুটবল প্ৰতিযোগিতা; আৰু ২১ ডিচেম্বৰত বাকী থকা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ভিচিচিডি পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ বিজয়ী খেলুৱৈসকলেহে সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি